# ৰাভামিজ
# সাহিত্যিক নিদর্শন

# ৮.১০ ৰাভামিজ ঃ সাহিত্যিক নিদর্শন

৮.১০ লোক-সাহিত্য হৈছে লোক অৰ্থাৎ জনসাধাৰণৰ দ্বাৰা ৰচিত আৰু পৰম্পৰাগতভাৱে মানুহৰ মুখে মুখে প্ৰচলিত হৈ অহা সাহিত্য। "*লোক-সাহিত্য ব্যক্তি নিৰপেক্ষ, অন্যহাতে লিখিত সাহিত্য ব্যক্তি সাপেক্ষ। লোক-সাহিত্য ব্যক্তি বিশেষৰ ৰচনা নহয়; কিন্তু লিখিত সাহিত্য ব্যক্তি বিশেষৰ সচেতন ৰচনা। লোকসাহিত্য ব্যক্তি বিশেষৰ ৰচনা নহয় বুলি কোৱা হৈছে যদিও এইবিধ সাহিত্য ব্যক্তি বিশেষেই ৰচনা কৰে, কিন্তু তেওঁ তেওঁৰ নিৰ্মিতি সমাজলৈ ঠেলি দিয়ে। সেই নিৰ্মিতি ব্যক্তি বিশেষৰ ৰচনা হ'লেও তাত ব্যক্তি চেতনা নাথাকে, থাকে সামাজিক চেতনা।*"[১] মৌখিক সাহিত্যৰ (গীত-পদ, লোককথা, প্ৰবাদ-প্ৰবচন, সাঁথৰ, দিষ্টান ) মূল শিপাডাল বিস্তীৰ্ণ শ্ৰমজীৱী জনসাধাৰণৰ জীৱনৰ সৈতেহে সম্পৃক্ত।[২]

ৰাভামিজ উপভাষা লোক-সাহিত্যত অতি চহকী। সেই লোক-সাহিত্যবোৰক তলত দিয়া ধৰণে শ্ৰেণী-বিভাগ কৰিব পাৰি[৩] —

(ক) সাধুকথা আৰু পৰম্পৰা (Tales and tradition)

(খ) গীত (Songs)

(অ) বৰ্ণনামূলক মালিতা (Narrative ballads)

---

১. শৰ্মা, নবীন চন্দ্ৰ ঃ পাতনি, দৰঙী লোকগীত সংগ্ৰহ, (সম্পা. চহৰীয়া, কনক চন্দ্ৰ ), ২০০৫, পৃ.৩৫
২. শৰ্মা, নবীন চন্দ্ৰ ঃ উক্ত গ্ৰন্থ, পৃ.৩৫

৩.Goswami, P. :**Ballads and tales of Assam**, second edition, 1970, p. 3

(আ) গীতি-কবিতা বিশেষকৈ প্ৰেমৰ গীত (Lyric-mostly love songs but not always)

(ই) শ্ৰমৰ গীত (Work songs)

(ঈ) খেলৰ গীত (play songs)

(উ) শিশু গীত (children songs)

(গ) সাঁথৰ (Riddles)

(ঘ) ফকৰা-যোঁজনা (Proverbs)

(ঙ) প্ৰবাদ-প্ৰবচন (Sayings)

(চ) মন্ত্ৰ (Charms)

## ৮.২০ লোকগীত ঃ

## ৮.২১ পাতিৰাভাৰ মাজত প্ৰচলিত লোক-সাহিত্য ঃ

### ৮.২১.১ ব'হুৰ'ঙী গীত[৪] ঃ

ম'হামুনি ৰাইজ,
ব'য়া[৫] নাপাবি,
নাচিবাকে উঠিছুং
ত'ৰেং পাগিলি[৬]।
হাতত ল'লং গ'বেনা
খোপাত মাৰ'ং[৭] ফুল,

৪. উৎস ঃ (ক) সৰকাৰ, হৰিমোহন ঃ **বহুৰাঙী গীতৰ আঁচলত**, ১৯৬৫
(খ) ৰাভা, প্ৰভাত ঃ **বহুৰাঙী গীত**, ১৯৮৫
(গ) ৰাভা, বীৰেণ ঃ **বহুৰাঙী গীত ঃ জনজীৱনৰ চিত্ৰ**, ২০০১
(ঘ) ৰাভা, ভূবিন ঃ **বগেজাৰী গীত**, ২০০৪
(ঙ) ৰাভা, শৰৎ চন্দ্ৰ ঃ **বগেজাৰী পাৰবাহ হানাঘোঁৰা**, ২০০১

৫.বেয়া

৬. পাগলী

৭. মাৰোঁ

নাচ-গান নাজানিলে
　　ন'ধ'ৰিবি ভুল।
ধুম্ তুকু তাকিলি
　　বাঁহৰ আগিলি,
নাচিবাকে উঠিছুং
　　ত'ৰেং পাগিলি।
জাবাং মুৰী[৮] আপী
　　মুৰাত্ ভাঙা ঝাপি[৯]
তোক্ আপী মাতিছুং
　　গোৰা[১০] খাবা লাগি।
জাপ্ মাৰ'ং জুপ্ মাৰ'ং
　　বাহী চোতালে,
তিনি দিনীয়া গোৰা ম'দে
　　লাগিল কাপালে।
ব'গেজাৰী বাই অ'
　　তোৰে গীত্ গাং[১১],
স'ক'ল্ জাতিয়ে মত খায়
　　ৰাভাৰ উঠে নাং[১২]।
ব'গেজাৰী ব'গুলা[১৩]
　　ব'গা ফ'ক্ ফ'ক্[১৪]
ব'গুলাৰে মাংছ'[১৫]

---

৮. বিশৃংখল ছুলিৰ
৯. জাপি
১০. পানী দিয়া মদ
১১. গাওঁ
১২.নাম
১৩. বগলী
১৪. অতিপাত বগা
১৫. মাংস

এৰি খাল'ং ত'ক্।
অ' ব'ইনী আছিলি বা ক'ত্
অ' ব'ইনী নাচিলি বা ক'ত;
দুই ব'ইনী মাছ্ মাৰ'ং
মুকাল পাথাৰত্।
মুকালৰে পাথাৰ'তে
শামুক্ ঝেও ঝেও[১৬];
ছাৱা নাই প'কা নাই[১৭]
কায় পুজিব' দেও।
কাকাৰাৰ গাৰাতে
চেং বাহা ল'য়[১৮];
তুই নিলে যাম্ মুই
দাদাক ন'ক'ৰ'ং ভ'য়।
কিনো চাবি চিকুন চাকান্
ৰিচিং ক'ল'[১৯]ৰ পাত,
ছুলিৰ্ খোপা দুন[২০] হেনো
বুবা ন'ৰে তাত্[২১]।
ব'গে দেশ'তে ফুলে
ঢেকীয়াৰ ফুল্,
ব'গে ৰাজাৰ আপী দেখি
ব'গেজাৰী হ'ল।

---

১৬.উভৈনদী
১৭. সতি-সন্ততি নাই
১৮. বিপদকো আওকান কৰ্
১৯.আঠিয়া কল
২০. দোন
২১. তাত ৰব নোৱাৰে

ব'ৰ্ খাল'ত্ প'ৰে

ব'ৰ ব'ৰ ব'ক্ ;

ব'গেজাৰীয়ে নেৰে

মাৰে ওজাৰ্ ল'গ্।

আহ অ'ই ল'খাই[২২]

ম'ত[২৩] খাবা যাং;

নাচি-বাগি গাই ফুৰ'ং

ব'গেজাৰী গান।

ব'গেজাৰী মুৰি গেল

জীয়াই থাকিল ম'ত;

ম'ত খাই ক'লিজা ফাটে

দেহাৰ নাপায় ত'ত্।

## ৮.২১.২ মাৰে পূজাৰ গীত[২৪] ঃ

(১)

দিহা ঃ কি দিয়া পূজিম্ মাৰ চ'ৰ'ণ তুমাৰ্।

কি দিয়া পূজিম তুমাক্ মাৰ ভ'গ'ৱ'তী।

তুমাকে পূজিবা পুষ্প' নাপালুং বিচাৰি।।

পদ ঃ নিফুৰ[২৫] দিয়া পূজিবা খুজ'ং ঢাৰিয়াই[২৬] আগে খায়।

ক'ল্ দিয়া পূজিবা খুজ'ং বাদুলি চুহি খায়।।

---

২২. লোকসকল

২৩. মদ

২৪. উৎস ঃ ৰাভা, প্ৰাণেশ্বৰ ঃ মায়াৱন্তী বিষহৰি, ১৯৮৭

২৫. নৈৱেদ্য

২৬. এবিধ চৰাই

গুৱা দিয়া পূজিবা খুজ'ং কেৰ্কেটুৱাই আগে খায়।
পান দিয়া পূজিবা খুজ'ং কেঞ্জুলা[২৭] চেৰাই খায়।।
ক্ষীৰ দিয়া পূজিবা খুজ'ং বাছুৰে আগে খায়।
চেনী দিয়া পূজিবা খুজ'ং পিপ'ৰে[২৮] আগে খায়।।
জ'ল দিয়া পূজিবা খুজ'ং মাছে বিকুলায়।
ফুল দিয়া পূজিবা খুজ'ং ভোমোৰাই চুহি খায়।।
তুলসী দি পূজিবা খুজ'ং কুকুৰে লেঙাই যায়।।
ফ'ল দিয়া পূজিবা খুজ'ং স'ক'ল ফ'লে চুৱা।
তুমাৰ নামে তুমাক পূজিম ই গধুলি-পুৱা।।

(২)

দিহা ঃ ৰাম ৰাম অ' ৰাম প'দ্মা'ং কুমাৰী মাৰ।
পদ ঃ এক দিনা দুই দিনা ক'ৰি প'দ্মাটু হৈ যায় ডাঙ'ৰ।
ঘিলা খেলাবাক প'দ্মাৰ হৈলা ম'ন।।
সোনাৰ পাতা ঘিলা ল'ল কোন্দ'লা[২৯] ত ভৰাইয়া।
নাগ'ৰ ছাৱা ল'ল প'দ্মাইনা ডাক দিয়া।।
সোনাৰ পাতা ঘিলা পাতিলা শাৰী শাৰী।
ধ'ৰ'ম ধ'ৰ'ম বুলি প'দ্মা ধ'ৰ্ম আৰাধিল।
ধ'ৰ'ম'ৰ নামে প'দ্মামালা খেলাত বহিল।।
এখিলি দুই খিলি ক'ৰি সাত খিলি খেলায়।
সাতো ভাগ'ৰ ঘিলা আৰ[৩০] পদ্মামালাই পায়।।

---

২৭. কুমজেলেকুৱা
২৮. পিপৰা
২৯.কোচ
৩০.আৰু

নাগ'ৰ ছাৱা[৩১] মাৰে ঘিলা পাৰ হৈয়া যায়।
প'দ্মামালা উঠিয়া বোলে ঘিলা লাগা নাই।।
কি খেলা খেলাৰা তুমি খেলিতে নাজানা।
ঘিলা মাৰা স'ম'য় তুমাৰ চুকু হয় কাণা।।
তাকে শুনি নাগ'ৰ ছাৱাৰ ব'ৰ উঠিল খ'ং।
পাতাল পুৰীত জ'ন'ম তোৰ তাৰে ক'থা ক'ং।।
মাৱ আছে তোৰ বাপ নাই দুনিয়াত ভেঙ'ৰ[৩২]।
ক'ৰ প'ৰা আহিছা তুই খটীয়া টেঙ'ৰ[৩৩]।।
সিতো ক'থা শুনি প'দ্মা ব'ৰ পালে লাজ।
সোনাৰ পাতা ঘিলা প'দ্মা ফেলালে পাক দিয়া।
জুৰা ম'ন্দিৰ ঘ'ৰ'ত ব'হিল কেবাৰ[৩৪] ক'ৰিয়া।।
নাখায় প'দ্মা ভাত-পানী নেখেলায় খেলি।
জুৰা ম'ন্দিৰ ঘ'ৰ'ত ব'হিল কেবাৰ ক'ৰি।।
দ'য়াৰ আব'ল বালী কায় পাৰাছে গালি।
খা আই ত'ই ভাত পানী খেলাৱ খেলি।।
নাখাং আই মই ভাত-পানী নেখেলাং খেলি।
নাগ'ৰ ছাৱা পাৰাছে গালি হাবাতীয়া[৩৫] বুলি।।
মাৱ আছে মোৰ বাপ নাই দুনিয়াত ভেঙ'ৰ।
ক'বাৰ প'ৰা আহিয়া পাছুং বোলে খুটীয়া টেঙ'ৰ।।
খা আই তই ভাত-পানী খেলাৱ খেলি।
তোৰ বাপে আছে গিছে উত্তৰা ফুলঝাৰী।।

---

৩১.সন্তান
৩২. অপযশ,বদনাম
৩৩.খটীয়া পহুৰ দৰে টেঙৰ
৩৪. অভিমান
৩৫. অতিপাত মৰম আকলুৱা

(৩)

দিহা ঃ অ' নাৰ'দ চ'লিলা অ' ল'ৰিলা নাৰ'দ

হেম'ৰ দুৱাৰ'ত নাৰ'দ চ'লিলাৰে।

পদ ঃ ধ'ৰ ব'ল'ং নাৰ'দ ল'য়হাৰে[৩৬] তামুল খাৱ।

ভাৰীক ধ'ৰিবা এই ঘ'ড়ী চ'লি যাৱ।।

সেইটো ক'থা শুনি নাৰ'দ নাথাকিলা ৰৈয়া।

মোৰ গু ৱা পান ল'ল নাৰ'দ টুপ'লি[৩৭] বান্ধিয়া।

ভাৰীক ধ'ৰিবা লাগি যায়ৰে চলিয়া।।

এক ভ'ৰি দুই ভ'ৰি নাৰ'দ ক'ত' দূৰ'ক যায়।

ভাৰীস'ৱ'ৰ ম'ন্দিৰ[৩৮] যাইয়া লাগাল পায়।।

যোৰ গুৱাপান দিলা নাৰ'দ টুপ'লি খসাইয়া[৩৯]।

ভাৰীস'ক'লে খায় ব'খ'ৰা[৪০] ক'ৰিয়া।।

ধ'ৰ ব'ল'ং ভাৰীগ'ণ ল'য়হাৰে তামুল খাৱ।

বিয়াৰ ভাৰ উহাবাক[৪১] এইঘ'ড়ী চ'লি যাৱ।।

বুঢ়া বুঢ়া ভাৰুৱাক[৪২] নাৰ'দ ফেলালে বাছিয়া।

চেঙেৰা[৪৩] ভাৰুৱাক নাৰ'দ আনিলে ধ'ৰিয়া।।

উঠ উঠ ভাৰীগ'ণ কাণ্ডে লৈও ভাৰ।

ভাৰখিনি যোগাবা লাগে ঋষিৰ দুৱাৰ।।

সিটো ক'থা শুনি ভাৰীগ'ণ নাথাকিল ৰৈয়া।

পাঁচিশ খান ভাৰ ল'ল কান্ধ'ত তুলিয়া।।

---

৩৬. লয়লাসে
৩৭. টোপোলা
৩৮. ঘৰ
৩৯.খুলি
৪০. ভাগ
৪১. কঢ়িয়াবলৈ
৪২. ভাৰী
৪৩. ডেকা

(৪)

## মাৰে গীতৰ অন্তৰ্গত ঝুনা গীত

দিহা ঃ কানাই ক'প'তি[৪৪] ক'প'তি ডেনা[৪৫] ভাঙা ক'প'তি
ৰাজা ঘ'ৰ'ৰ সেওত বেহ'ৰ[৪৬] খায়।
কান্ধ'ত জোলোঙা লৈ হাত'ত সেৰেঞ্জা[৪৭] লৈ
প'ৰ'ৰ নাৰী ভুলাবা যায়।।
কানাই ল' অ' কানাই।

পদ ঃ তোৰো ঘ'ৰ সিপাৰে মোৰো ঘ'ৰ ইপাৰে
ছাৰাল[৪৮] কানাই গায়া যায় গীত।
কান্ধ'ত জোলোঙা লৈ হাত'ত সেৰেঞ্জা লৈ
বাইৰাং বাইৰাং[৪৯] ক'ৰে চিত্।।
মোৰ কানাই আজালা[৫০] গুৰু কিন'ং কাজালা[৫১]
হাল বাবা ন'ক'ৰিবি হেলা।
নাঙ'ল'ৰ মুঠিতে মুই খ'ৰিৰ বোজা দেং ৰে
মোৰ হৈছে বান্ধ'ন'ৰ পালা।।
কিবা পক্ষী কান্দেৰে কুলুলুক কালালাক
ডিমাখিনি পাৰি গেল দ'ল'ত।
অ'বুজ দেওৰ'ক মুই বুজাবা নুৰিলুংৰে
ভুলুকা বাঁহৰে ত'ল'ত।।

---

৪৪. কপৌ
৪৫. ডেউকা
৪৬. সৰিয়হ
৪৭. এবিধ বাদ্য
৪৮. ল'ৰা
৪৯. বাহিৰ হওঁ বাহিৰ হওঁ
৫০. অজলা
৫১. কজলা

## ৮.২১.৩ ভাৰী গানৰ গীত[৫২]ঃ

(১)

ধুৰা ঃ হে ব'ন্দু[৫৩] ৰাম হে হে ব'ন্দু ৰাম হে ৰাম হে ৰাম হে
হে হে ব'ন্দু ৰাম হে হে ব'ন্দু।।

পদ ঃ ৰাম ৰাম প্ৰভু ৰাম প্ৰ'ভুৰ ক'ম'ল লোচ'ন।
অ'নাথেৰ নাথে প্ৰ'ভু জীৱেৰ জীৱ'ন।।
জ'য় অ' ৰামচ'ন্দ্ৰ' ম'নেৰে ব'ন্দু প্ৰ'ভুৰ পাৱে বিবাৰ'ণ ।
কৃপা ক'ৰো দি'ন'ৰ্ব'ন্ধু প্ৰ'ভু ল'ভি ৰামচ'ৰ'ণ।।
প্ৰ'থ'মে ব'ন্দিব গুৰু বাল্মীকিৰ চ'ৰ'ণ।
ৰাম নাই জ'ন্মিতে মুনি ৰ'চিল ৰামায়ণ।।
ৰাম নাই জ'ন্মিতে মুনি স'হাস্য ব'চ'ন।
হেন কালে ৰ'চিল মুনি ম'ধুৰ ব'চ'ন।।
সান্দ'[৫৪] ব'ন্দিব' গুৰু জ'লমুনিৰ চ'ৰ'ণ।
স'ল'ক'[৫৫] চ'ন্দ'ন যাৰ মুখে ৰ'চিল ৰামায়ণ।।
ৰামেৰ গুৰু ব'ন্দি গাইব' বিশ্বামিত্ৰ মুনি।
যাহাৰ পুত্ৰ' বিশ্ব'সিংহ জ'গ'তেৰ বাচ'নি।।
গোভান্দ' মুনিকেৰ[৫৬] পুত্ৰ' বিভান্দ' ম'হামুনি।
যাহাৰ য'জ্ঞ'ৰ ফুল'তে[৫৭] জ'ন্মিল চ'ক্ৰ'পাণি।।
কাশ্যপ ব'ংশ' ব'ন্দি গাইব' গৌত'মে প্ৰ'ধান।

---

৫২. উৎস ঃ শ্ৰী কন্দৰ্প কুমাৰ ৰাভাৰ (বয়স ৪৫, বোন্দাপাৰা, কামৰূপ) পৰা প্ৰাপ্ত পাণ্ডুলিপি।
৫৩. বন্দো
৫৪. সানন্দে
৫৫. শ্লোক
৫৬. মুনিৰ (মুনিক + এৰ)
৫৭. ফলতে

মুনিষ্য'তেঁ[৫৮] ব'ন্দি গাইব' মুক্তিৰ কাৰ'ণ।।
ক'পিলে মুনিকেৰ পুত্ৰ স'মুদ্ৰ'ৰ তীৰে।
সাগ'ৰ ব'ংশ' ধ্ব'ংস' হ'ইল' যাহাৰ ক'প'নে[৫৯]।।
অ'সুৰাতেঁ[৬০] ব'ন্দি গাইব' ইন্দ্ৰ' সুৰ'ৰ মুনি।
তাহাৰ ভাৰ্যা ব'ন্দি গাইব' শ'শী ঠাকুৰাণী।।
আকাশ'তে ব'ন্দি গাইব' দেৱ'গ'ণেৰ য'ত'।
অ'যোধ্যাতে ব'ন্দি গাইব' ৰাজা দ'শ'ৰ'থ'।।
ৰাজা দ'শ'ৰ'থেৰ ব'ন্দু ৰ'ঘুনাথেৰ পিতা।
ৰামেৰ ভাৰ্যা ব'ন্দি গাইব' চ'ন্দ্ৰ'মুখী সীতা।।
ৰাজা দ'শ'ৰ'থেৰ ব'ন্দু এক শ'ত' ঘ'ৰ'ণী[৬১]।
সুব'ল ভাৰ্যা ব'ন্দি গাইব' তিনি প'তেশ্ব'ৰী।।
দ্বিতীয়তে ব'ন্দি গাইব' কেকৈয়ীৰ[৬২] চ'ৰ'ণ।
তৃতীয়তে ব'ন্দি গাইব' ভ'ৰ'ত সেনাগ'ণ।।
ৰাম ব'ন্দু ল'খ্'ম'ন[৬৩] ব'ন্দু ভ'ৰ'ত শ'ত্ৰুগ'ন।
একে একে ব'ন্দি গাইব' য'ত' বান'ৰ গ'ণ।।
ভাগ্যৱ'তী কৌশল্যা ভাগ্যেৰ সীমা নাই।
তাহাৰ গ'ৰ্ভে জ'ন্ম ছিল প্ৰ'ভু ৰামচ'ন্দ্ৰ' গোঁসাই।।
ভাগ্যৱ'তী কৌশল্যা ভাগ্যেৰ সীমা নাই।
তাহাকে মাও বুলি মাতে প্ৰ'ভু ৰামচ'ন্দ্ৰ' গোঁসাই।।
ন'ল নিল ব'ন্দি গাইব' বীৰ জাম্বুমান।
বালি সুগ্ৰীৱ ব'ন্দি গাইব' বীৰ হ'নুমান।

---

৫৮. মনুষ্যৰ অৰ্থে, মানুহৰ বাবে
৫৯.কোপানলে
৬০.অসুৰৰ বাবে
৬১. গৃহিনী
৬২. কৈকেয়ী
৬৩. লক্ষ্মণ

গ্ৰ'হ'ক চান্দ'ল ব'ন্দি গাইব' মিত্ৰ' বিভিষ'ণ।।
শিক্ষা গুৰুৰ পাওৱে ব'ন্দুং দীক্ষা গুৰুৰ পাৱ।
হ'স্তে ধ'ৰি সেই গুৰু শিখাইছে[৬৩] দায়না বাও।।
গুণীক হুইয়া সেই গুণীৰ গুণ'কেই চ'ৰাই যাও।।

(২)

ধুৰা ঃ আসিল অ' অ'হে মু'ন্ত্ৰী[৬৪] ৰাজা ৰাৱণ'ৰ সাইখাতে[৬৫] আসিল অ'।
পদ ঃ হেন কালে ৰাৱ'ণ ৰাজা ম'ন'তে ভাবিল।
কেতুৰাকে চাই ত'বে ব'লিতে লাগিল।।
ৰাৱ'ণ ব'লে[৬৬] শুন কেতু আমাৰ ব'চ'ন।
সিঘ্ৰ'[৬৭] ক'ৰি আনি দেহ্ ম'ৰে ৰ'ত্ন' সিংহাস'ন।।
তাহা শুনি কেতুৰা গ'ম'ণ কৰিল'।
ৰ'ত্ন' সিংহাস'নখান আনিয়া যোগাইল'।।
ৰাৱণ ব'লে শুন কেতু আমাৰ ব'চ'ন।
মুন্ত্ৰী বীৰ'ক ডাকি তুমি আনহি এখ'ন।।
এক মুন্ত্ৰী আইল' ৰাজা বিদ্দুমান[৬৮]।
নাম'তে শুনিয়া আইল' মহাদেৱেৰ ন'ন্দ'ন।।
মুন্ত্ৰী ব'লে ম'হাৰাজ ক'ৰি নিৱেদ'ন।
কি জ'ন্য ডাকিছ' ম'হাৰাজ ব'ল'কহে এখ'ন।।
ৰাৱ'ণ ব'লে শুন মুন্ত্ৰী আমাৰ ব'চ'ন।
পিতাৰ কাল'ৰ মুন্ত্ৰী তুমি আছ্য একজ'ন।।
দেখ ল'ঙ্কাপুৰীখান ম'ৰ প'ৰ'মান'ন্দ' ছিল।
ত'প'সী দুই বেটা আহি ল'ঙ্কা স'ংহ'ৰিল।।

---

৬৪. সাক্ষাতে
৬৫. মন্ত্ৰী
৬৬. বোলে
৬৭.শীঘ্ৰ
৬৮. বিদ্যমান

কেম'নে ব'ধিব' আমি ত'প'স্বী দুই জ'ন।
ক' ক' মুন্ত্ৰী তুমি স্বৰূপ ব'চ'ন।।
মুন্ত্ৰী ব'লে ম'হাৰাজ আমাৰ ব'চ'ন।
অ'ৰ'শ্যে জানিব' ৰাজা ৰাম নাৰায়ণ।।
ল'ঙ্কাপুৰী চৈৰ্ণ[৬৯] ক'ৰিল' ন'ৰ বান'ৰ গ'ণ।
ইন্দ্ৰ'জিৎ অ'তিকায় মাৰিল কুম্ভ'ক'ৰ্ণ।।
তাহা জানি ৰাজা তুমি ক'ৰ'হে গ'ম'ণ।
সীতাক দিয়ে ৰামেৰ পাওৰে ভ'জ'হে চ'ৰ'ণ।।
তাহা শুনি ৰাৱ'ণ ৰাজা ম'হা ক্ৰোধ হুইল'।
প্ৰ'ল'য়ৰ অ'গ্নি হেনা জ্ব'লিয়া উঠিল'।।
ৰাৱ'ণ ব'লে শুন অ'হে দুৰাচাৰ।
আমাক' লাগিয়া ত'ৰ[৭০] কিঞ্চিত ভ'য় নাহি আৰ।।
আমাৰ' আগ'ত ক' শ্ৰী ৰাম'ৰ ক'থা।
খাণ্ডাৰ কুব'তে[৭১] বেটা শেষ করিব' মাথা।।
তাহা শুনি ম'ন্ত্ৰী ত'বে ম'হা ভ'য় পাইল'।
ৰাজাৰ নিক'তে হ'ই প'লাইয়া গেল[৭২]।।

---

৬৯. চূৰ্ণ
৭০. তোৰ
৭১.কোবতে
৭২. গ'ল

### ৮.২১.৪ হানাঘোঁৰা গীত[৭৩] ঃ

হ'য় হ'য় হ'য় হ'য় ঐই
য' এ মাহী ঘ'ৰ'ক যাং
মাহী ঐ ডিমা খুজিছে
ছ'য় ৰাত ছ'য় ৰাত ছ'য় ৰাতিয়া[৭৪]
ক'ম্‌লা[৭৫] ম'দ্‌খান খায় কুতিয়া[৭৬]
হ'য় হ'য় হ'য় হ'য় ঐই।

পাখাৰা কি চিখিৰা[৭৭]
মাহী ঐ লাঙামাৰাৰ ঘুৰী[৭৮]
আজিৰ প'ৰা দিন নাই
মাহী ঐ নাচ ঘূৰি ঘূৰি।

আৰে ল'খাই[৭৯] ল'গ'ৰীয়া
মাহী ঐ লিত্‌কু[৮০] খাবা যাং
নাল্‌গে তোৰ লিত্‌কু
মাহী ঐ হাতে ঢুকাল[৮১] পাং[৮২]।

---

৭৩. উৎস ঃ ৰাভা, শৰৎ চন্দ্ৰ ঃ **বগেজাৰী পাৰবাঁহ হানাঘোঁৰা**, ২০০১
৭৪. ৰাতিৰ (ৰাতি + ঈয়া)
৭৫.কোমল/ কুমলীয়া
৭৬. কেতিয়া
৭৭. পখৰা-চিখৰা
৭৮. এবিধ ঘটী
৭৯. লোক সকল
৮০. লেতেকু
৮১. ঢুকি
৮২. পাওঁ

আহুনি- যাহুনি ঝেৰা
মাহী ঐ খুনি লেৰা[৮৩]ৰ ত'লে
এখান তামুল দি যাবি
মাহী ঐ পানী আনাৰ চ'লে।

লিং লিং লাং লাং
মাহী ঐ আউনীয়া[৮৪] পান'ৰ উজি[৮৫]
এটা আনিম সুধি পুছি
মাহী ঐ এটা আনিম খুজি।

আৰে[৮৬] নোনো[৮৭] উম'ল'ং[৮৮]
মাহী ঐ ভূত বুগৰী[৮৯]ৰ ত'ল'ত
ৰাঙা মণি ব'গা মণি
মাহী ঐ আমাৰ নোনোৰ ল'গ'ত।

ফিচুলুকা আধাৰ[৯০] খুৱায়
মাহী ঐ ফ'ৰেং লিখি লিখি
তোকো গাভুৰ[৯১] ম'ন খাইছ'ং

---

৮৩. এবিধ লতা
৮৪. এবিধ পাণ
৮৫. পাণৰ শাখাডাল
৮৬.আহা
৮৭.ভাইটি অথবা ভন্টি
৮৮. ওমলোঁ
৮৯. এবিধ বগৰি গছ
৯০. খাদ্য
৯১. গাভৰু

মাহী ঐ কাকাল[৯২]সৰু দেখি।

অ' লখায় ঝেৰা গিলাং
মাহী ঐ ক'ত থ'লে মলা খাছ্‌ৰেং[৯৩]
কাণ কাটি ম'জায়[৯৪] বুন[৯৫]
মাহী ঐ বাট'তে চেঙেৰী আপী
কায়ো নাখায় মন।
আন এ মামী ক'থাৰী[৯৬] খান
মাহী ঐ তামুল[৯৭] কেল্‌কাতাং[৯৮]
আমাৰ মামা জ'ৰেয়াটু[৯৯]
মাহী ঐ মেল'ক নেখেদাং[১০০]।

শিলত ব'গায় শিল কুম্‌তি[১০১]
মাহী ঐ মাটিত ব'গায় ভুল[১০২]
গাম্‌ছাতে[১০৩] তুলি দিম
মাহী ঐ দমাচুকি ফুল[১০৪]।

---

৯২. কঁকাল
৯৩. শালপাতেৰে তৈয়াৰ কৰা এক ধৰণৰ বিড়ী
৯৪. মাৰে
৯৫. বন
৯৬. কটাৰী
৯৭. তামোল
৯৮. বাকলি গুচাওঁ (কাটোঁ)
৯৯. জীয়েকজনী
১০০. নপঠাওঁ
১০১. কোমোৰা
১০২. ভোল
১০৩. গামোচা
১০৪. এবিধ পৰম্পৰাগত ফুলৰ চানেকি

শিল'ত ব'গায় শিল কুম্‌তি
মাহী ঐ মাটিত ব'গায় লেৰা
আজিহে দেখা পালুং
মাহী ঐ নাক কেকেৰা[১০৫] ঝেৰা।

আৰে ল'খাই ল'গ'ৰীয়া
মাহী ঐ খাই ফুৰিলুং হেল'চ
বুবা দিছ্লিুং তামুল বান্ধা
মাহী ঐ বুই দিছ্য তেল'চ।
দূৰে প'ৰা দেখা পালুং
মাহী ঐ এক্‌বাৰী ক'ল
ন'ব'হ'ংকে[১০৬] বুলিছুং
মাহী ঐ এক আঠু ম'ল[১০৭]।

- - - - - - - - - - -

বা কাট'ং নাকাট'ং
মাহী ঐ বাঁহ'ৰ খেচেপা[১০৮]
নুতুন জাৱাই[১০৯] ৰাখিছুং
মাহী ঐ কাম'ৰ চেপেটা[১১০]।

টাম্বুলিত টাম্বুলিত ক'ৰে
মাহী ঐ হানাঘোঁৰাৰ শিঙা

১০৫. বেঁকা
১০৬. বিয়া নকৰাওঁ
১০৭. মলি
১০৮. তল
১০৯. জোঁৱাই
১১০. হেঁচা

ভাল ক'ৰি নানাচিলে
মাহী ঐ কায়[১১১] দিব' ডিমা।
নুতুন সান্দা[১১২] খুন্দিলুং
মাহী ঐ তাং তাং
ডাঙাৰ ম'দ নিদিলে
মাহী ঐ আমি ব'য়া পাং।

অ' বাবা চেচেৰেট্
তোৰ বাপ্‌কে মুৰি[১১৩] গেল
ভালা গুটি খাই গেল
তোৰ মায়কে মুৰি গেল ৰাজবাট'তে।

## ৮.২১.৫ পাৰ বাঁহ নচুওৰা গীত[১১৪] ঃ

অ' হায় হায় মাকো
লায় অ' মাকো
টিং টিঙালি মাকাৰা[১১৫] জালি[১১৬]
দিলুং উজুৰাই[১১৭] ।

---

১১১. কোন
১১২. সান্দহ
১১৩. মৰি
১১৪. উৎস ঃ ৰাভা, শৰৎ চন্দ্ৰ ঃ প্ৰাগুক্ত গ্ৰন্থ
১১৫. মকৰা
১১৬. পোৱালী
১১৭. খেদি

অ’ নাকে হ’ৰি ফাকে হ’ৰি
গাৰো গাঙ’ত যায়
নাকে হ’ৰিৰ মাক’ক
নামায় আন’ং যাই[১১৮]।

ভূলূকা বাঁহ’ৰে চিপ
ক’ৰে লিপ লিপ
হাত’ত লৈছু হাত মালেয়া
চুকুত দিছু টিপ।
ই চাঙ’ৰে চাং
আৰো ই চাঙ’ৰে চাং
ন’ধীয়াপাৰীয়া পাওৰা তুল্‌ছে[১১৯]
চ’[১২০] চাবা যাং।

কাঠ’ল[১২১] পাৰ’ং ধুম ধাম
ৰুহুনীয়া[১২২] ক’[১২৩]
আগ্‌ছিয়ালী[১২৪] পাওৰা তুল্‌ছে
চানা বোকা[১২৫] ল’।

১১৮. গৈ
১১৯. তুলিছে
১২০. ব’লা
১২১. কঠাল
১২২. ৰহনীয়া (ৰসযুক্ত)
১২৩. কোঁহ
১২৪. আগছিয়া গাঁওৰ
১২৫. বোকোচা

প'ৰ্ব'ত'ৰ টিঙো টিং
গাৰো পাৰে ৰিং
লুখায়[১২৬] লুখায় ভ'ৰায় আনে
ম'ৰা গুৰুৰ শিং।

একে চুবা ক'ল'কে
ক'ল ন'ব'ল'ং
ছাগ'ল শিঙিয়া পাগুৰি মাৰা
জাৰায় নোবোলং।

একে ঘাৰায়[১২৭] চিঙিলুং
নিচিন ক'ল'ৰ[১২৮] পাত
গ'ৰ'ম ভাতে জুৰায়[১২৯] গেল
ইমান দূৰ'ৰ বাট।

অ' কাকা ডাঙাৰ ভাই
তোকে আছুং চাই
মোকো এটা আনি দিবি
তাপিলা[১৩০] ডাঙাৰ চাই।

---

১২৬. খাং
১২৭. ঘাপ
১২৮. এবিধ বনৰীয়া কল
১২৯. ঠাণ্ডা হ'ল
১২৮. তপিনা

কাউৰ কান্দে কালালাক
গাছ'ৰ উপ'ৰ'ত
ফুল তুলা মেখেলি[১৩১]
প'ৰ'ৰ উপ'ৰ'ত।

একে ঘাৱায় কাটিলুং
শাল গাজিলি[১৩২]
নাচিবাকে নাজানা
সিয়ান আজিলি[১৩৩]।

প'ৰ্ব'ত'ৰ সেৰে সেৰে[১৩৪]
উৰায় বুগুলা[১৩৫]
এখান তামুল খাৰাৰ চ'লে
যাবা গুধুলা[১৩৬]।

হাট'ক যাৰা বাটতে
কুপ্তি দানাইছে[১৩৭]
ব'হিবাৰে[১৩৮] বুধিতে
দ'হো[১৩৯] বান্ধাইছে।

---

১৩১. মেখেলা
১৩২. গজালি, পুলি
১৩৩. আজলী
১৩৪. কাষে কাষে
১৩৫.বগলী
১৩৬. গধুলি
১৩৭. জিৰাইছে
১৩৮. বিয়া হ'বৰ
১৩৯. বৌৰেক অথবা ভিনিহিয়েকৰ সৰু ভাই অথবা ভনী

হাট'ক গিলুং নিগিলুং
কিনি আনিলুং জালুক
ইখান গাঙ'ৰ আপীকে'টা
গ'ৰ'ঙ'ৰে[১৪০] ভালুক।

দ'মাচুকি[১৪১] চ'ৰে[১৪২]
চিৰুক চিৰুক ক'ৰে
ইগো আপী ব'য়া হ'ল
ঘ'ৰে ঘ'ৰে ফুৰে।

—------

প'ৰ্ব'ত'ৰ দান্দুৰা[১৪৩] খ'ৰি
লাগে ঘুলায় ঘুলায়[১৪৪]
ইগো আপী ম'ন খাইছুং
লৈ যাম ভুলায় ভুলায়।

---

১৪০. সুৰঙ্গ
১৪১. ঘৰচিৰিকা
১৪২. চৰাই
১৪৩. বাঁহ অথবা গছৰ মূঢ়া
১৪৪. উমি উমি

## ৮.২১.৬ টুকুৰীয়া পূজাৰ গীত[১৪৫] ঃ

(১)

স'ব'ক[১৪৬] স'ব'ক ক'ৰে গোসানীৰে
স'ব'ক স'ব'ক ক'ৰে গোসানীৰে
স'বাক মাত'ং পালা পালা গোসানীৰে
স'বাক যায় তাৰা[১৪৭] গোসানীৰে
আহিবা লাগে জাক জাক গোসানীৰে
যাব' লাগে গোসানীৰে।
আই নাৰায়ণী স'ব'ক গোসানীৰে
ন' ব'ইনী[১৪৮] স'ব'ক গোসানীৰে
হেৰ্‌কা পেটা[১৪৯] স'ব'ক গোসানীৰে
শুক'নি আই[১৫০] স'ব'ক গোসানীৰে
ৰ'থ'ৰালী[১৫১] স'ব'ক গোসানীৰে
ঘ'ৰ দেৱ'তী[১৫২] স'ব'ক গোসানীৰে
ল'ক্ষ্মী-স'ৰ'স্ব'তীস'ব'ক গোসানীৰে
কামাখ্যা চ'ৰিখা[১৫৩] স'ব'ক গোসানীৰে

১৪৫. উৎস ঃ ৰাভা, শৰৎ চন্দ্ৰ ঃ 'টুকুৰীয়া গীত', **ৰাভা স্তুতি-মন্ত্ৰ-গীত**, প্ৰথম খণ্ড, নিখিল ৰাভা সাহিত্য সভা,২০০১, পৃ-৩৩৪-৩৬৩
১৪৬. সকলোকে
১৪৭. তেওঁলোক
১৪৮. ভনী
১৪৯. এগৰাকী দেৱতা
১৫০. এগৰাকী দেৱী
১৫১. এগৰাকী দেৱী
১৫২. দেৱী
১৫৩. চণ্ডিকা

ৰ'ণ্চ'লী[১৫৪] স'ব'ক গোসানীৰে
য'খ-য'খিনী[১৫৫] সব'ক গোসানীৰে
বীৰা-বীৰাণী[১৫৬] স'ব'ক গোসানীৰে
ৰুদ্ৰ কালী স'ব'ক গোসানীৰে
ভ'দ্ৰ'কালী স'ব'ক গোসানীৰে
ধ'ন কুবেৰ স'ব'ক গোসানীৰে
জ'লকুবেৰ স'ব'ক গোসানীৰে
স'ব'ক স'ব'ক ক'ৰে গোসানীৰে।
স'ৰ'স্ব'তী বুলি
কিবা বুলি মাতিলুং
ধ'নমালা পাতিলুং
মোৰ আই হে
মোৰ গোসানী এ হে
আই তোক সৰস্বতী মাত'ং
আই অ' আই আই
আই তোক তালতে আৰো খাতে
আই অ' আই আই
মাই সৰস্বতী আই অ' আই আই
আই বোলে বীনুতে[১৫৭] আৰো খাতে আই আই
আই বোলে লাউতে আৰো খাতে
আই বোলে সুখাতে আৰো খাতে আই আই
অ' গুজুৰে আৰো ভোমোৰা আই আই।

---

১৫৪. ৰণচণ্ডী
১৫৫. এহাল অপদেৰ-দেৱী
১৫৬. এহাল অপদেৰ-দেৱী
১৫৭. বীণা

(২)

দিং যাং ল'গে যাং
ল'গে ল'গে যাং
আই নাৰায়ণী বোলে
ম'য়ো আগে যাং।
দিং যাং ল'গে যাং
ল'গে ল'গে যাং
অ' ব'হিনী বোলে
ম'য়ো আগে যাং।
দিং যাং ল'গে যাং
হেৰ্কা পেটা বোলে
ম'য়ো আগুৱাই যাং।
দিং যাং ল'গে যাং
ল'গে ল'গে যাং
শুক'নি আই বোলে
ম'য়ো আগুৱাই যাং
ৰ'থোৰালী বোলে ময়ো আগে যাং
ঘ'ৰ দেৱতী বোলে ময়ো আগে যাং
স'ৰ'স্বতী বোলে ময়ো আগে যাং
য'খ-য'খিনী বোলে ময়ো আগুৱাই যাং
বীৰা- বীৰাণী বোলে ম'য়ো আগে যাং
কাচায় খাইতী বোলে ম'য়ো আগে যাং
ৰ'ণচ'লী বোলে ম'য়ো আগে যাং

বুৰা গোসাই[১৫৮] বোলে ময়ো আগে যাং
ধৰ্ম্ম দেও বোলে ম'য়ো আগে যাং
কৰ্ম্ম দেও বোলে আগে যাং
চক্ৰ'শিলা বোলে ম'য়ো আগে যাং
ওদাল বুৰী[১৫৯] বোলে ম'য়ো আগে যাং।

(৩)

বিহ চ'ল চ'ল ক'ৰে গোসানীৰে
বিৰ্য[১৬০] নামিল গাৰে[১৬১] গোসানীৰে
কুন দুৱাৰে বাহিৰ হ'ম গোসানীৰে
মূৰ ফাটি বাহিৰ হ'ম গোসানীৰে
মূৰ বিহুলি বুলিব গোসানীৰে।
কাপাল ফাটি বাহিৰ হ'ম গোসানীৰে
কাপাল বিহুলী বুলিব গোসানীৰে।
গ'ল[১৬২] ফাটি বাহিৰ হ'ম গোসানীৰে
গ'ল বিহুলি বুলিব গোসানীৰে।
বুকু ফাটি বাহিৰ হ'ম গোসানীৰে
বুকু বিহুলি বুলিব গোসানীৰে
বাহু ফাটি বাহিৰ হ'ম গোসানীৰে
বাহু বিহুলি বুলিব গোসানীৰে
পেট ফাটি বাহিৰ হ'ম গোসানীৰে
হাগনি বিহুলি বুলিব গোসানীৰে।

---

১৫৮. বুঢ়াগোঁসাই
১৫৯. এগৰাকী দেৱী
১৬০. বিষ
১৬১. গাতে
১৬২. ডিঙি

ক'ম'ৰ[১৬৩] ফাটি বাহিৰ হ'ম গোসানীৰে
ক'ম'ৰ বিহুলি বুলিব গোসানীৰে
ফেৰা[১৬৪] ফাটি বাহিৰ হ'ম গোসানীৰে
ফেৰা বিহুলি বুলিব গোসানীৰে
দিমালি[১৬৫] ফাটি বাহিৰ হ'ম গোসানীৰে
দিমালি বিহুলি বুলিব গোসানীৰে।
গ'ৰা[১৬৬] ফাটি বাহিৰ হ'ম গোসানীৰে
গ'ৰা বিহুলি বুলিব গোসানীৰে।

(৪)

টিমু টিমু ক'ৰি[১৬৭] লাঙা
ঢোল খ'নি বায়
উত্তৰ কুলৰ বুৰা লাঙা
বাপুহে এ , এহে
দক্ষিণ কুলে যায়।
আই হুনু হুনু
লাঙা ৰাজা হুনু
আয়াৰে[১৬৮] এহে হে
বাপুহে এহে এহে হে
আগে আছিলুং কোচৰ ছাৱা[১৬৯]

---

১৬৩. কঁকাল
১৬৪. উৰু
১৬৫. কলাফুল
১৬৬. গোৰোহা
১৬৭. লাহে লাহেকৈ
১৬৮. আই
১৬৯. সন্তান

ৰাভাত গিলুং[১৭০] জাতি
এতিয়াহে হৈছো মুই
লাঙাৰ গিয়াতি[১৭১]।
আগে আছিলুং কোচৰ ছাৱা
গাৰোত গিলুং জাতি
গ'ৰ'ঙে গ'ৰ'ঙে ফুৰ'ং
হানা[১৭২] কাক'ৰ[১৭৩] ঘুকি[১৭৪]।
হিবিলিখি লাঙা ৰাজা
বাপুনা লাঙাৰে
ধ'ন মালা ধ'ন
বাপুনা লাঙাৰে।
মুই বামুনৰ বান্ধা
বাপুনা লাঙাৰে
ছাগ'ল চাৰিবা লাগে
বাপুনা লাঙাৰে।
এক ছাগ'ল হেৰায় লাঙা
দুই ছাগ'ল দিম
বাপুনা লাঙাৰে।

---

১৭০. গ'লোঁ
১৭১. জ্ঞাতি
১৭২. গাৰো
১৭৩. কেঁকোৰা
১৭৪. গাঁতৰ পৰা উলিয়াই

## ৮.২১.৭ গৰখীয়া গীত[১৭৫] ঃ

(১)

দিহা ঃ বেংতালি ঐ

আলে মালে হুইয়া।

পদ ঃ হাল বাবা যাম মুই

হাল বাবা যাবে তুই

হালুৰা[১৭৬] লুৰু[১৭৭] ফাটাম মুই

হালোৰা লুৰু ফাটাবা তুই

কানি-কাপুৰে হাগিম মুই

কানি-কাপুৰে হাগা তুই

ব'ৰ ন'দীত ধুম মুই

ব'ৰ ন'দীত ধুৰা তুই

ব'ৰ মাছ হ'ম মুই

ব'ৰ মাছ হোৰা তুই

শেলে খাপ'তে হানিম মুই

শেলে খাপতে হানা তুই

নিসিনা[১৭৮] মাছ হ'ম মুই

নিসিনা মাছ হোৰা তুই

চানা[১৭৯] জাল ধ'ৰিম মুই

চানা জাল ধ'ৰা তুই

নিচিনা শামুক হ'ম মুই

১৭৫. উৎস ঃ ভূবিন ৰাভা (৬১), লোহাৰঘাট

১৭৬. হালোৰা

১৭৭. এচাৰি

১৭৮. সৰু জাতৰ দৰিকণা

১৭৯. সৰু

নিচিনা শামুক হোৱা তুই
চূণ পুৰি খাম মুই
চূণ পুৰি খাৱা তুই
গালে-মুখে ডাকিম মুই
গালে-মুখে ডাকা[১৮০] তুই
আদা ঝাৰি[১৮১] খাম মুই
আদা ঝাৰি খাৱা তুই।

(২)

কাঁহি[১৮২] ঐ কুৱা ঐ
হুই হুই
কাঁহি নুফুলা কিয়া ঐ
মুইতো ফুলোঙে।
গুৰুৱে আগ খায় কিয়া ঐ?
মুইতো নাখাঙে।
গুৰ্খায় নাঘুৰে কিয়া ঐ?
গুৰ্খা[১৮৩] ঐ গুৰখা ঐ
গুৰু নাঘুৰা[১৮৪] কিয়া ঐ?
মুইতো আগুৰুঙে।
ৰান্ধনীয়ে ভাত নেদে কিয়া ঐ?
ৰান্ধনী ঐ ৰান্ধনী ঐ
ভাত নাৰান্ধা কিয়া ঐ?

---

১৮০. পুৰি ঘা হোৱা
১৮১. জাৰি
১৮২. কঁহুৱা
১৮৩. গৰখীয়া
১৮৪. ন-আগুৰা

মুইতো ৰান্ধোঙে।
খ'ৰিয়ালি[১৮৫] খ'ৰি নেদে কিয়া ঐ?
খ'ৰিয়ালি ঐ খ'ৰিয়ালি ঐ
খ'ৰি নানা কিয়া ঐ?
মুইতো আনোঙে।
কামাৰে[১৮৬] দাও নেদে কিয়া ঐ?
কামাৰ ঐ কামাৰ ঐ
দাও ন'গ'ৰোৱা[১৮৭] কিয়া ঐ?
মুইতো গ'ৰোঙে।
আঙাৰ[১৮৮] পুৰায় আঙাৰ নেদে কিয়া ঐ
আঙাৰ ঐ আঙাৰ ঐ
আঙাৰ নুপুৰা কিয়া ঐ?
মুইতো পুৰোঙে।
ব'ৰ্হ'ন[১৮৯] আহে কিয়া ঐ?
ব'ৰ্হ'ন ঐ ব'ৰ্হ'ন ঐ
ব'ৰ্হ'ন দিয়া কিয়া ঐ?
মুইতো নেদঙে।
মেঘে গিৰ গিৰায় কিয়া ঐ?
মেঘ ঐ মেঘ ঐ
গুৰ্গুৰাৱা কিয়া ঐ
মুইতো নুগুৰ্গুৰাঙে।

১৮৫. খৰিকটীয়া
১৮৬. কমাৰ
১৮৭. নগঢ়োৱা
১৮৮. এঙাৰ
১৮৯. বৰষুণ

বেঙে টোৰটোৰায় কিয়া ঐ?

বেং ঐ বেং ঐ

টোৰটোৰোৰা কিয়া ঐ

মুইতো ন'টোৰটোৰাঙে।

বুৰাৰ দিন'ৰ ক'থা

ন'টোৰটোৰাম কিয়া ঐ?

হুই হুই হুই হুই।

(৩)

বাতা[১৯০] বুন'ত প'ৰি কান্দে

ৰাঙা কুকুৰা[১৯১],

ঝেৰাৰ ল'গ'ত ঘিলা খেলে

ঝেৰা ডাকুৰা[১৯২]।

অ'-হে-হ'লো হ'লো -ৰে।

পানী প'ৰে চিৰিপ চিৰিপ

ম'হে- দাঁহে খায়

কাপুৰ-কানিৰ দুখ'তে

জাঙ'ই[১৯৩] হ'বা যায়।

অ'-হে-হ'লো হ'লো-ৰে।

---

১৯০. বটা বন

১৯১. কুকুহা

১৯২. তিৰোতা সেৰুৱা

১৯৩. জোঁৱাই

## ৮.২১.৮ নিচুকনি গীত[১৯৪]ঃ

অ’ চ’কেয়া[১৯৫] ধান নাখাবি
ধানখিনি প’কিলে
ডাল’ত প’ৰি খাবি
ডাল-ডুল ভাঙিলি[১৯৬]
আতাৰ ঘ’ৰ’ত যাবি।।
আবুই দিব ফুল গামছা
আতাই দিব ফুল
ৰাজাৰ বিটিৰ বিয়া হ’লি[১৯৭]
কায় বাজাব ঢুল[১৯৮]।
ঃঃঃঃঃঃঃঃঃঃঃঃ
টাক হুৰা হুৰা
মাৰি আনিলুং দুৰা
দিহা[১৯৯] নায়কা দাৰা নায়কা
খাবি বাপ্‌ক’ৰ[২০০] মুৰা[২০১]।

---

১৯৪. উৎস ঃ বীৰেণ ৰাভা (৭০), চুকুণীয়া পাৰা, কামৰূপ
১৯৫.চৰাই
১৯৬. ভাঙিলে
১৯৭. হ’লে
১৯৮. ঢোল
১৯৯. ব্যঞ্জন
২০০. বাপেকৰ
২০১. মূৰ

## ৮.২১.৯ মহো-হো গীত[২০২]ঃ

অ' হ'ৰি ম'হো-হো
ম'হ খেদিবা টোক'ন ল'।।
ম'হে বোলে ম'ৰিলুং ৰে।
টেপ'ল[২০৩] পুৰা[২০৪] খালুং ৰে
টেপ'ল'ৰে নাই গুণ
ধান দিবি দুন[২০৫] দুন
বাঁহ'ৰ আগ চিকি মিকি
আমাক লাগে সিকি সিকি
অ' হৰি হ'ৰ'ণ
মাহা লক্ষীৰ চ'ৰ'ণ
মাহা লক্ষী দিছে ব'ৰ
ধান টোপাটা[২০৬] ওলাই প'ৰ।

## ৮.২১.১০ বাৰমাহী গীত[২০৭] ঃ

দিহা ঃ দ'য়াৰ প্ৰভু খমা[২০৮] ক'ৰ।
মুই হ'লুং[২০৯] নাৰী এক বছৰ।।
পদ ঃ যি হ'ল এক বছৰ।
কাপালে শোভে নাৰী সেন্দুৰ'ৰ বেৰ।

---

২০২ উৎস ঃ ৰাভা, বীৰেণ (৭০), চুকুণীয়া পাৰা, কামৰূপ
২০৩. এবিধ ফল
২০৪. পোৰা
২০৫. দোন
২০৬. তোমটো
২০৭. উৎস ঃ ৰাভা, বীৰেণ ; চুকুণীয়া পাৰা
২০৮. ক্ষমা
২০৯. হ'লোঁ

গ'লে শোভে নাৰী ৰূপ'ৰ হাৰ।।
যি হ'ল হ'ল নাৰী ব'ছ'ৰে দুই।
জাঙি[২১০]পাতি ল'গাই দিম পুই।।
পুই[২১১] শাক'ৰে নেপেলাম ঠাৰা।
ঘূৰি-পকি আহ ইপাকৰ পাৰা।।

## ৮.২২ টোটলা ৰাভাসকলৰ গীত ঃ

### ৮.২২.১ বাম্বোল পিটা গীত[২১২] ঃ

ঔ হ'ৰে ঔ হ'ৰে....
মাছো মাৰিলো ত'ৰা বা হ'ৰি হ'ৰি
কিনো মাছো মাৰিলো ত'ৰা
থোঠা ৰাজাৰ পুতাকে
ব'ৰ ঘ'ৰ বান্ধিছে
ছেওতি[২১৩] নাখালা যোৰা
অ' হ' দ'দাই
অ' হ' ক'কাই
ছেওতি নাখালা যোৰা
অ' আইহাত অ'
অ' বাইহাত অ'
বাম্বোল পিটিবা যায়।.......

---

২১০. হেদালি
২১১. পুবৈ শাক
২১২. উৎস ঃ ৰাভা, চণ্ডীচৰণ (৭১) ; তামুলপুৰ, নলবাৰী
২১৩. চ'তি

মণিয়া বেহাৰ তেল হ'ৰি হ'ৰি
অ' হ' ভাঙিও ন'প'ৰে
অ' হ' ছিঙিও ন'প'ৰে
এনেহে তামুল পুৰীয়া মেল
অ' আইহাত অ'
অ' বাইহাত অ'
বাম্বোল বাম্বোল পিটিবা যায়
ঔ হ'ৰে ঔ হ'ৰে....

ভ'লুকা বাঁহ'ৰে গাঁঠি হ'ৰি 'হৰি
ভ'লুকা বাঁহ'ৰে গাঁঠি
ব'তাহ- ৰঁৰ'ণে[২১৪] অ' হ' ব'তাহ-ব'ৰ'ণে
আহিবা ধ'ৰিছে
আমাকে ন'থ'বা ৰাখি
অ' হ' ক'কাই
অ' হ' দ'দাই
আমাকে ন'থ'বা ৰাখি
অ' আইহাত অ'
অ' বাইহাত অ'
বাম্বোল বাম্বোল পিটিবা যায়।

কপতি ক'প'তি ধাৰুৱা ক'প'তি[২১৫]
ৰাজাহাতৰ বাওধান খায়

২১৪. বৰযুণ
২১৫. কপৌ

অ' হ' আগে[২১৬] সোনা ল'ৰু
অ' হ' বাৰে[২১৭] বাজান গ'ৰু[২১৮]
ক'প'তি কুবাবা যায়
অ' হ' ক'কাই
অ' হ' দ'দাই
ক'প'তি কুবাবা যায়
অ' হ' আইহাত অ'
অ' হ' বাইহাত অ'
বাম্বোল বাম্বোল পিটিবা যায়।

## ৮.২২.২ ভালুক নচুওৱা গীত[২১৯]ঃ

আঘোন হ'ল পুহ হ'ল
ম'হ খেদিবা হুকুম হ'ল
ম'হগেলা মো মোৱায়
ব'ন গেৰুৱাৰ ঘাটে
ব'ন গেৰুৱাই দিলে ৰিং
কুবাই[২২০] ভাঙিম তাৰ শিং
তাৰ শিংটো হেকা-বেকা[২২১]

---

২১৬. সোঁহাতে
২১৭. বাওফালে
২১৮. খাহী কৰা গৰু
২১৯. উৎস ঃ ৰাভা, চণ্ডীচৰণ (৭১) ; তামুলপুৰ, নলবাৰী
২২০. কোবাই
২২১. একা-বেঁকা

পেট প'ৰি যায় মাজ শিংকা[২২২]

মাজ শিংকা ৰিটোটৌ

মূৰ'ত টিপিলি ওলায় ঘিউ

হুই ৰেংকা হুই ৰে

আহে ভালুক আহে ৰে

এইবাৰে নাচি যায় ৰে

হুই ৰেংকা হুই ৰে

আমাৰ ভালুক বোন্দা ব'ৰা[২২৩]

খাব' নাপালে খুন্দে গাৰা[২২৪]

হুই ৰেংকা হুই ৰে

গিৰি হাতৰ ভাঙা পাচি

ভালুকে হাগে একো পাচি

গিৰিহাতৰ ভাঙা দাও

ভালুকে হাগে একো নাও

বাঁহ'ৰ পাত চিকি মিকি

আমাক লাগে আধ'লি সিকি

হুই ৰেংকা হুই ৰে

বাৰীৰে দাতি

আমাক লাগে দুই বাতি

হুই ৰেংকা হুই ৰে

বাৰীৰে এৰা

কুবায় ভাঙিম বেৰা

হুই ৰেংকা হুই ৰে........।

---

২২২.শিঙেৰে খোচে
২২৩.বৰ
২২৪. গাঁত

### ৮.২২.৩ হৰিণ চিকাৰৰ গীত[২২৫]ঃ

আঘোন যায় পুহ যায়
মাঘী পুৰ্ণি[২২৬] আহি পায়
হ'ৰিণ খেদিবাৰ স'ম'য় হ'য়।
আহ অ' আহ ভাই
হ'ৰিণ খেদিবা যায়
কি ভেলেঙি কি জ'তুৱা[২২৭]
গ'ল মেলি মেলি চায়

জাল ল' যাঠি ল'
হ'ৰিণ খেদিবা যায়
কি ভেলেঙি কি জ'তুৱা
গ'ল মেলি মেলি চায়
আহ অ' আহ ভাই
হ'ৰিণ খেদিবা যায়।
পেচানা পুচানা[২২৮] গ'ল মেলি মেলি চায়।
জাল ল' যাঠি ল'
হৰিণ খেদিবা যায়
কি ভেলেঙি কি জ'তুৱা
গ'ল মেলি মেলি চায়।
প'ৰ্ব'ত লাগি চাই হ'ল

---

২২৫. উৎস ঃ ৰাভা, চণ্ডীচৰণ (৭১) ; তামুলপুৰ, নলবাৰী
২২৬. পূর্ণিমা
২২৭. শৰ
২২৮. পোৱালী

হাবি পুৰি মুকাল হ'ল

চ'ক'লা[229] গুচি আঠু হ'ল

হ'ৰিণ আহি খাব'ৰ হ'

হ'ৰিণ খেদিবাৰ স'ম'য় হ'ল

আহ অ' আহ ভাই

পেচানা পুচানা গ'ল মেলি মেলি চায়

আহ অ' আহ ভাই

হ'ৰিণ খেদিবা যায়।

এই চ'ঙ'ত শ'ৰ নাই

এই চ'ঙ'ত ভেলেঙি নাই

শ'ৰ ভেলেঙি প'লাই যায়

নিজ'ৰাৰে পাৰ পায়

শিং জোকাৰি পানী খায়

হ'ৰিণ খেদিবাৰ স'ম'য় হ'ল

আহ অ' আহ ভাই

হ'ৰিণ খেদিবা যায়

কি ভেলেঙি কি জ'তুৰা

গ'ল মেলি মেলি চায়

আঘুৰ আঘুৰ[230] চ'ং আঘুৰ

জাল পাত যাঠি পাত

শ'ৰ ভেলেঙি জাল'ত পৰিল

ধ'ৰ ধ'ৰ মাৰ মাৰ

---

২২৯. সৰু পোৱালী
২৩০. আগুৰ

শ'ৰ ভেলেঙি জালেৰে বান্ধ

শ'ৰ ভেলেঙিক ভাৰ বান্ধ

শ'ৰ ভেলেঙিক ভাৰ বান্ধ

ভাৰ বান্ধ ঐ ভাৰ বান্ধ

শ'ৰ ভেলেঙিক ভাৰ বান্ধ।

### ৮.২২.৪ বহুৰঙী গীত[২৩১] ঃ

এই ঘ'ৰ গিৰি কহায়[২৩২] গেল

চ'ৰাই হাল বায়[২৩৩]

ঐ চ'ৰাই হাল বায়

ভিক্ষা দিবা পাম বুলি

বেৰা ভ'ল'ঙাই[২৩৪] চায়

ঐ বেৰা ভ'ল'ঙাই চায়।

হেৰে ৰেট হেৰে ৰেট........

তোৰো বাৰীত আদা অ'

মোৰো বাৰীত আদা

তোৰ পুতেৰে আদা খাই খাই

মোকো বোলে দাদা

ঐ মোকো বোলে দাদা।

---

২৩১. উৎস ঃ ৰাভা,চণ্ডীচৰণ (৭১), তামুলপুৰ, নলবাৰী

২৩২. ক'লৈ

২৩৩. ধান খায় (অৰ্থান্তৰ)

২৩৪. ফুটা কৰি

ভেক্‌লা কান্দে ত'ৰ'ৎ ত'ৰ'ৎ
চাপ্‌ৰা মাটিৰ ত'ল'ত,
ন'তুন ক'ইনাৰ ছাৱা কান্দে
কানি চিৰাৰ ত'ল'ত।
কাউৰ কান্দে কেলেং কেচেং
বাঁহ'ৰ উপাৰত,
মালী সূতা কাটে
ভাঙা য'ত'ৰ'ত
ঐ ভাঙা য'ত'ৰ'ত।

## ৮.২২.৪ বিয়াগীত[২৩৫]ঃ

(ক)

**বাৰুৱা-বৰুৱানী[২৩৬]ৰ গীত**

**বাৰুৱাৰ গীতঃ**

উদ'ং বাৰীৰ টুপ'কী[২৩৭] লেৱা
পিতৃ-মাতৃৰ ক'ৰ'ং সেৱা
লাইখে লাইখে[২৩৮] ছালামে ক'ৰ'ং।
বিয়া খাৰা প্ৰ'জাস'ক'ল।
ব'য়া পালেও উপায় নাই;
ত'গু'ৰে[২৩৯] চ'ৰ'ণ'ত ধ'ৰ'ং।।

২৩৫. উৎস ঃ ৰাভা, শুক্লাপ্ৰসাদ ঃ **দৰঙী ৰাভা সংস্কৃতিৰ পৰম্পৰা**, ২০০৩, পৃ- ২৩
২৩৬. বিয়াৰ কাম সমাধান কৰা এহাল পুৰুষ-মহিলা
২৩৭. এবিধ লতা
২৩৮. লাখে লাখে
২৩৯. কাতৰে

আগ'লি বাঁহ'ৰে কাটিলুং ধেনু,
প'দ মাৰ'ং ৰেণু ৰেণু,
শুনি থাকিবি ব'তাহ্‌ৰ ঢাল'ত।
খ'ৰ্‌মা ৰাঙী ঘিচিৰি[২৪০]
বালু-ব'থ'ল[২৪১] ন'হ'বা
এনেহেন গাভুৰু কালত।।

তামুল কাটিলুং আঙিলি আঙিলি[২৪২]
পান'ক কাটিলুং যোৰ।
ঝালুকবাৰীৰ গ'ভ'ৰা[২৪৩]
বিয়া খাবা আহিলি
বাওহাতে মেখেলাত ধ'ৰ।।

আছ্ৰাত'লি[২৪৪] আহিলুং বাই
ম'দ ঢাল্‌বা পানী নাই
আন'ং গেই[২৪৫] ঘোৰামাৰাৰ পায়[২৪৬]।
ঘোৰামাৰাৰ পানী নাই
চুলিকোচা বাঢ়ি যায়
বান্ধিব'ৰ উপায় নাই।।
উপায় গেল উপাৰে

---

২৪০ . কাম-কাজ নজনা ছোৱালী
২৪১. অলিয়া-বলিয়া
২৪২. সৰু সৰুকৈ (আঙুলিৰ লেখিয়াকৈ)
২৪৩. গাভৰু
২৪৪. আহুতলি
২৪৫. গৈ
২৪৬. পৰা

বুদ্ধি গেল ভিতাৰে
ম'নে গেল ঐৰান'ৰ মাজে
ঐৰান'ৰ মাজ'তে বাহিৰ'তি খুপিলুং[২৪৭]
তেৰো[২৪৮] নাপায় ব'ন'ৰীয়া বাঘে।।

ব'ৰ্‌ঘ'ৰ সাৰিলুং চ'ৰাঘ'ৰ সাৰিলুং
উলাহ'ত পেলালুং জেং।
মিচিক্‌মাৰী[২৪৯] ছোৱালী নাচিবা নাজানা
মাটিতে চোচ'ৰে ঠেং।

ব'ৰ্‌ঘ'ৰ হুকুম কুম[২৫০]
চ'ৰাঘ'ৰ হুকুম কুম
শাৰী শাৰী নাহেৰ'ৰ খুটা।
ঘেটেৰা থেবেলা[২৫১]
ঝোকায়হে ন'ল'বা
আগে আগে বিছ'ৰা ছুটা[২৫২]।।

**বাৰুৱানীৰ গীত ঃ**
কঠিয়াত'লিতে পানী না চ'লাচ'ল
হাহিনী পাৰি গেল ফ'ল[২৫৩]।

২৪৭. কটালোঁ
২৪৮. তথাপি
২৪৯. হাঁহিমুখীয়া
২৫০. ডাঙৰ
২৫১. লেটেৰা
২৫২. সুবিধা
২৫৩. কণী

হাতেৰে ক'টা তামুল
হাত'তে শুকাই গেল
দিবাৰে নাপালুং চ'ল[২৫৪] ।।

বেৰাৰে বাৰ' কামি
আমি হৈছো তিনি বৈনী
ন'ম'ৰি থাকিলুং কিয়া।
ইঅ' বোলে নেং নেং
সিঅ' বোলে নেং নেং
চেলেং কাপুৰ ল'গাই লুলুং কিয়া ?

(গ)

**কইনা উলিওৱা গীত**

**কইনাঘৰীয়া ঃ**

দুৱাৰ বান্ধিলুং আটি আটি ঐ
ওদাল'ৰে জ'ৰী
তামোল দ'হে গ'ৰা[২৫৫] পান পাঁচ মুঠা
নাপাই মানে দুৱাৰ নেদ'ং এৰি ঐ।

**দৰাঘৰীয়া ঃ**

দুৱাৰ মেল দুৰ'ৰী
ওলাই দি জীয়াৰী

---

২৫৪. সুবিধা
২৫৫. গণ্ডা

মাক'ৰে প'ৰ্ব'ত খ'হে।
বাৰীৰে বাঁহ'কে কাটি
ক'ৰিলুং খয়ংকৰ
ৰামে ধ'ৰিব ধেনু।।

(গ)

**সাজ পিন্ধোৱাৰ গীত**

আজি বিয়া বিয়া কালি বিয়া বিয়া
আজিহে ৰুকুনীৰ বিয়া
বাৰৱা-বাৰুৱানী কিনো চাই আছা
ৰুকুনীক তেল ঢালি দিয়া।

কিহ'তে চুচিলুং[২৫৬] কিহ'তে মাজিলুং
কিহ'তে লাগিলা গাঁঠি
স'খান[২৫৭] ফ'নীকে কোনেনো গাঁঠিলা
সুল্কি প'ৰিল গাঁঠি।

(ঘ)

**বাৰুৱা-বাৰুৱানীৰ লগত অতিথিসকলে নাচোঁতে গোৱা গীত**

আগুৱাই বান্ধিলুং গাই না দামুৰি
পাছুৱাই বান্ধিলুং হাতী।
হাতীৰ ওপাৰতে তিমি না কটাৰী

২৫৬. ফণিয়ালোঁ
২৫৭. এশ খন

তাৰ ওপাৰত ক'ৰৈ সিৰিয়া বাতি।
বাতিত নাখাং পানী
কাহীত নাখাং ভাত
কাৰ ল'গ'ত খোৱা নাই ভাত
কাৰ ল'গ'ত খাৰা নাই গুৱা?
গুৱাহাটীৰ গুৱা পান
তাক কৰো খান খান
মাছ বেচা বজাৰৰ চূণ
চূণ খাবি তুই
পান চাই খাবি তুই
গাৰ'ত ৰাখিবি তান।।
মাছ ম'ৰা মাছুৰৈ
জাল ম'ৰা জালুৰৈ
কেইটা পুঠি মাছ পালি?
ডাবু ডাংৰি[২৫৮] ছোৱালী
আমাকে বাছিলি [২৫৯]
কেইটা চিকুন[২৬০] মুনিহ পালি??

শ'ল্মাছ কুটিলুং[২৬১]
ড'খ'ৰা ডুখ'ৰি[২৫৯]
ক'ল্ফুল[২৬০] কুটিলুং ঠুকি

২৫৮. উন্নত বক্ষা
২৫৯. প্ৰত্যাখ্যান কৰিলি
২৬০. চাফ-চিকুণ
২৬১. কাটিলোঁ
২৬২. ডোখৰ ডোখৰকৈ
২৬৩. কলডিল

খ'ৰ্মা ৰাণ্ডী[২৬৪] ছোৱালী
মুনিহ'কে পোৱা নাই
চাইম'ৰা দ'শ'ম'ৰ পুথি।।

ন'তুন খাল খুন্দিলুং[২৬৫]
মাগুৰ মাছ জীয়ালুং
চিলিঙ'ত চালাঙ'ত[২৬৬] ক'ৰে।
মিচিক মাৰীৰ হাত'তে
ভিছা[২৬৭] না মাদুলি
পিলিঙ'ত পালাঙ'ত[২৬৮] ক'ৰে।।

ঐ গাছ ঝুপুৰা[২৬৯]
মাগুৰ মাছ টুপুৰা[২৭০]
ব'নাকে ব'নাকে[২৭১] উৰি যায় টিয়া[২৭২]।
আনা যি আনিবি
ভাল চাই আনিবি
নানিবি গুৰু চাৰা ঝিয়া[২৭৩]।।

---

২৬৪. চঞ্চলা
২৬৫. খান্দিলোঁ
২৬৬. খল খল
২৬৭. এবিধ অলঙ্কাৰ
২৬৮. চিক্ মিক্
২৬৯. জোপোহা
২৭০. ঘূৰণীয়া
২৭১. জাকে জাকে
২৭২. ভাটৌ
২৭৩. তিৰোতা

## ৮.২৩ দাহৰি ৰাভাৰ গীত[২৭৪] ঃ

### ৮.২৩.১ তৰঙাৰ (শ্ৰাদ্ধ) গীত ঃ

অ' বাবাৰে ক'ত গেলি[২৭৫]ৰে আমাক এৰিয়া বাবা
ক'ত গেলিৰে আমাক ছাৰিয়া বাবা—
নিজ'ৰ হাতে ভাজিল'ং ভাজিল'ং কাৰাই[২৭৬]—
খায়য়া[২৭৭] যা খায়য়া যা বাবা-

অ' বাবাৰে, বাগে[২৭৮] হুইয়া— ন'ল'বি ন'ল'বি জ'ন'ম,
ঝাপ পাৰেয়া মাৰিব' মাৰিব' তোক।
ছুৱাৰ হুইয়া— ন'ল'বি ন'ল'বি জ'ন'ম,
জাল পাৰেয়া মাৰিব' মাৰিব' তোক।
ছ'ৰে[২৭৯] হুইয়া—ন'ল'বি ন'ল'বি জ'ন'ম,
গুষ্ঠি[২৮০] আহিলে মাৰিব' মাৰিব' তোক।
গুগু[২৮১] হুইয়া নাহিবি—ফান[২৮২] পাৰেয়া খাব'।
গুৰু[২৮৩] হুইয়া নাহিবি— হাল বায়য়া খাব'।
মাছ হুইয়া নাহিবি— জাকা[২৮৪] মাৰিয়া খাব'।

---

২৭৪. ৰাভা, ৰাজেন ঃ **ৰাভা লোকগীত**, ২০০১, পৃ. ২০
২৭৫. গ'লা
২৭৬. কৰাই
২৭৭. খাই
২৭৮. বাঘ
২৭৯. মূৰ্গী
২৮০. আলহী
২৮১. কপৌ
২৮২. ফান্দ
২৮৩. গৰু
২৮৪. জাকৈ

মানু হুইয়া আহিবি—আহিবি ৰে বাবা—
অ-হো-হো।
গুগু হুইয়া দিবিৰে দেখা,
ছাৰুক[২৮৫] হুইয়া ক'বিৰে মোকে কাথা।
ত'ৰ্মুচি  হুইয়াৰে খুজিবি খুজিবি পানী,
বাটি ভ'ৰাইয়া দিম্‌ৰে তোক আনি।

### ৮.২৩.২ ভূত-প্ৰেতাদি খেদা গীত ঃ

হিউ হিউ হিউ ত'য় খালিছা (ভায়), ম'য় খালিছা[২৮৬]
এক্‌টা বিল'ৰ মাছ,
ত'য় মৰিলে ম'য় মৰিলে
ক'ম'ৰ'ত ধ'ৰিয়া নাচ।

### ৮.২৩.৩ সতী যোৱা গীত

আঙ্‌লাৰে[২৮৭] গুটি গুটি
আঙ্‌লাৰে গুটি;
সোৱামীৰ[২৮৮] সংগে ম'য়ো
যাংৰে সতী।

২৮৫. শালিকা
২৮৬.খলিহনা
২৮৭. অমৰা
২৮৮. স্বামী

## ৮.২৪ ৰংদানি আৰু মায়তৰি ৰাভাৰ গীত ঃ

### ৮.২৪.১ হায়মাৰং গীত [২৮৯]ঃ

স'ক'ল দিগি[২৯০] উত্ত'ন[২৯১] হ'লে আই লক্ষ্মী স'ৰ'স্ব'তীৰ দিগি উত্ত'ণ হোৱা নাই। হ'ব'—

আই ল'ক্ষ্মী দেৱী ৰূপোৱালী হিয়া।

যাৰ ঘ'ৰ'ত শ'নিবাৰে ম'ঙ্গ'লবাৰে কাৱাল,

আই দেৱীৰ ৰূপোৱালী হিয়া।

যাৰ ঘ'ৰ'ত শ'নিবাৰে ম'ঙ্গ'লবাৰে কাঢ়ায় ভাজিব',

তাৰ ঘ'ৰ'ত আই ল'ক্ষ্মী নাৰাবাৰী লুকাব'।

যাৰ ঘ'ৰ'ত মুখেৰ চুঁছাৰ[২৯২] বাজাব', তাৰ ঘ'ৰ'ত আই লক্ষ্মী লুকাব',

যাৰ ঘ'ৰ'ত কান্দেৰ ভাঙ্কুৰা[২৯৩] টক্ টকাব',

তাৰ ঘ'ৰ'ত আই লক্ষ্মী লুকাব',

যাৰ ঘ'ৰ'ত ক'ল-প্ৰ'সাদ সাজিয়া দিব',

তাৰ ঘ'ৰ'ত আই লক্ষ্মী উত্ত'ণ হ'ব'।

যাৰ ঘ'ৰ'ত আৱা দুধ[২৯৪] সাজিয়া দিব',

তাৰ ঘ'ৰ'ত আই লক্ষ্মী উত্ত'ণ হ'ব'।

যাৰ ঘ'ৰ'ত ৰাম পাৰ' বলি সাজিয়া দিব',

তাৰ ঘ'ৰ'ত আই লক্ষ্মী উত্ত'ণ হ'ব'।

যাৰ ঘ'ৰ'ত খাচি চুৰাৰ ব'লি সাজিয়া দিব',

তাৰ ঘ'ৰ'ত আই লক্ষ্মী উত্ত'ণ হ'ব'।

---

২৮৯ .উৎস ঃ ৰাভা, সমৰ সিং আৰু ৰাভা,মণি ঃ **হায়মাৰং গীত**, ২০০২, পৃ. ৩২

২৯০. দিশে

২৯১. উৎপন্ন

২৯২. সুহুৰি

২৯৩. বিৰিয়া

২৯৪. গাখীৰ

যাৰ ঘ'ৰ'ত স'গ'ল'কো সাজিয়া দিব,

তাৰ ঘ'ৰ'ত আই লক্ষ্মী উত্ত'ণ হ'ব'।

### ৮.২৪.২ ঝাকুৰা পূজাৰ লগত জৰিত স্তুতি গীত[২৯৫] ঃ

জ'জ্ব'ৰে বুঢ়া লাঙাই, জাৰিয়া জাৰিয়া ল'—

জ'জ্ব'ৰে বুঢ়া লাঙাই , জাৰিয়া জাৰিয়া ল'—

মাথাৰে বিষ বান গ'লাতে নাম,

গ'লাৰে বিষ বান বুকুতে নাম,

বুকুৰে বিষ বান পেট'তে নাম,

পেটৰে বিষ বান কোম'ৰ'তে নাম,

কোম'ৰ'ৰে বিষ বান্ গাটুতে নাম,

গাটুৰে বিষ বান পাওতে নাম

জ'জ্ব'ৰে বুঢ়া লাঙাই জাৰিয়া জাৰিয়া ল'।

জ'জ্ব'ৰে বুঢ়া লাঙাই জাৰিয়া জাৰিয়া ল'।

এ, পূবেৰ শ'ৰ, না পশ্চিমেৰ শ'ৰ?

উত্ত'ৰেৰ শ'ৰ, না দ'ক্ষিণেৰ শ'ৰ?

ৰামেৰ শ'ৰ, না ল'ক্ষ'ণেৰ শ'ৰ?

ভাঙিয়া চিঙিয়া তামাতিকি ক'ৰ।

এ, জ'জ্ব'ৰে বুঢ়া লাঙাই

জাৰিয়া জাৰিয়া ল'।

এ, জ'জ্ব'ৰে বুঢ়া লাঙাই

জাৰিয়া জাৰিয়া ল।

২৯৫. উৎস ঃ ৰাভা হাকাচাম, উপেন ঃ **ৰাভামিজ -ভাষা আৰু নিদৰ্শন**, ২০০৫, পৃ. ২১৩

## ৮.৩০ মন্ত্ৰ সাহিত্য ঃ

ৰাভাসকলে বিভিন্ন ধৰণৰ ভূত-প্ৰেত, অপদেৱতা-অপদেৱী আদিত বিশ্বাস কৰে। এই ভূত-প্ৰেত, অপদেৱতা-অপদেৱী আদিক খেদিবলৈ তেওঁলোকে বিভিন্ন শ্ৰেণীৰ মন্ত্ৰৰ ব্যৱহাৰ কৰে। তদুপৰি বিভিন্ন শ্ৰেণীৰ ৰোগৰ চিকিৎসা কৰিবলৈও তেওঁলোকে বিভিন্ন মন্ত্ৰৰ ব্যৱহাৰ কৰে। তেনেকুৱা ধৰণৰ কেতবোৰ মন্ত্ৰৰ উল্লেখ তলত কৰা হ'ল।[২৯৬]

## ৮.৩১ ৰংদানি ৰাভাৰ মাজত প্ৰচলিত মন্ত্ৰ ঃ

### ৮.৩১.১ তেল জাৰা মন্ত্ৰ ঃ

বিজা জাতি পুৰাতেল
স'মুদুৰেৰ[২৯৭] ক'ল-পাতি
(অমুকাৰ) হাৰা মাংস'
ল'ৰা টোকা ভাঙা জ'ৰাবি আহিয়া
বিষ্পানী স'ব দিবি নামিয়া
য'দি নহয় ঈশ্বৰ মহাদেৱ-পাৰ্বতীৰ
মাথা খাবি।

### ৮.৩১.২ বেহাৰ জাৰা মন্ত্ৰ ঃ

খেৰূপ বান্ধ'ং খ'ৰূপ বান্ধ'ং
ক'ৰূপ[২৯৮] বান্ধ'ং
নৰানি সৰিসা থেলিয়া
হাৰাই কান্টাই
উল্টা দাও[২৯৯] পাতিলে দাও

২৯৬. উৎস ঃ ৰাভা,ৰাজেন ঃ **ৰাভা লোক-গীত**, ২০০১, পৃ. ৫৩-৫৮
২৯৭. সমূদ্ৰৰ
২৯৮. মোট
২৯৯. দা

এই ধাৰিত[300] ঈশ্ব'ৰ ঐ ধাৰিত ঈশ্ব'ৰ

আকাশেও ঈশ্ব'ৰ পাতালেও ঈশ্ব'ৰ

বান্ধ'ং পাও সৰিসা সাৰিয়া

জিভা ঠেলিছে গাত যদি আহে ঈশ্ব'ৰ

ম'হাদেৱ-পাৰ্বতীৰ মাথা খাবি।

**৮.৩১.৩ বেহৰ জাৰা (গা বন্ধন) মন্ত্ৰ ঃ**

খেৰূপ বান্ধ'ং খ'ৰূপ বান্ধ'ং

ক'ৰূপ বান্ধ'ং

কুকুৰ বান্ধ'ং

নাক'ৰ বান্ধ'ং

চ'ৰৈ[301] হাঁহও বান্ধ'ং

হাতী-গিৰা বান্ধ'ং

ডাইনী-ভুতুনী বান্ধ'ং

ভুত-পিশাসও বান্ধ'ং

গাছ-বিৰিকো[302] বান্ধ'ং

বান্ধ'ং ঈশ্ব'ৰ সাৰিয়া

জিভা ঠেলিবা গাত

যদি আহে ঈশ্ব'ৰ

ম'হাদেৱ-পাৰ্বতীৰ মাথা খাবি।

---

৩০০. ধাৰত

৩০১. কুকুৰা

৩০২. বৃক্ষ

**৮.৩১.৪ জাপ পকোৱা (অসুখ-অশান্তিৰ) মন্ত্ৰ ঃ**

খাটা-খুটা ন'ৰ'সিং বান্ধি লৈলো
ছাটে দুবেল'না প'ৰে দিন
ৰাতি কেহো বোলে ন'ৰ'সিং
আহি গেলো সুন্দেৰ ভাই
ক'ৰি গেলো পূজা ল'ংকা পাৰ হৈয়া
ম'ৰি গেলো ভিবীষণ[৩০৩]ৰ হাতে
ধ'ন ক'বিড়া পট্ট ক'বিড়া
স'হ'ৰা-ভোমোৰা ক'ৰিলে ব'ন্ধ
নাহিবি কাৰোকাৰ সীমনা
কোনো ক্ষ'ণো গাত।
দূৰে হৈয়া চাৰে দিবে
য'দি আহে ম'হাদেৱ-পাৰ্বতীৰ মাথা খাবি।

**৮.৩১.৫ ডাইনী খালে জৰা মন্ত্ৰ ঃ**

ডাইনী বান্ধ'ং ভুতুনী বান্ধ'ং
য'খ বান্ধ'ং য'খিনী বান্ধ'ং
কালি বান্ধ'ং য'খিনী বান্ধ'ং
দ'ত বান্ধ'ং দান'ব বান্ধ'ং
ব'ন্ধ ব'ন্ধ ম'ৰে ব'ন্ধ
য'দি আহে গান্দা-গান্দিঙৰ
মাথা খাবি।

---

৩০৩. বিভীষণ

**৮.৩১.৬ গা বন্ধন মন্ত্ৰ ঃ**

একোনা বান্ধিলোং একোনা পৃথিৱী
দুই কোনা বান্ধিলোং দুই কোনা পৃথিৱী
তিনি কোনা বান্ধিলোং তিনি কোনা পৃথিৱী
চাৰি কোনা বান্ধিলোং চাৰি কোনা পৃথিৱী
পাঁচ বান্ধ বান্ধিলোং পাঁচ ভাই
ছ'য় বান্ধ বান্ধিলোং ছ'ত্ৰি চ'ৰ'ণ
সাত বান্ধ বান্ধিলোং সাত'লি প'ৰাৰ্বত[৩০৪]
আঠ ভাই বান্ধিলোং আকাশী চুকি
ন' বান্ধ বান্ধিলোং জ'লে ত'লে
আকাশে বান্ধিলোং আকাশে ত'ৰা
পাতালে বান্ধিলোং নাগ-নাগিনী
ভূতে-নাথে দিলোং বাঘা-বাঘিনী
ম'হ'স্য ঋখা[৩০৫] কৰিবি আমাৰ পক্ষে
য'দি আহে মহাদেৱ-পাৰ্বতীৰ মাথা খাবি।

৮.৩২ কোচা ৰাভাসকলৰ মাজত প্ৰচলিত মন্ত্ৰ ঃ

**৮.৩২.১ মাথা বিষ জাৰানি মন্ত্ৰ ঃ**

শ্যাম গুৰু শুক্ৰ বাণ বিষ হ'ইল'
জ'ন্মখান কুনবিষে ব'সে
চাম্পা দেল হ'ৰ বিষ হ'ৰ
প'দ্য হুংক্ষাৰে[৩০৬] বিষ পানী হ'ইয়া প'ৰ
শেষ ব'ন্দ'ং গুৰু পাও (মানুহৰ নাম)

---

৩০৪. পৰ্বত
৩০৫. ৰক্ষা
৩০৬. হুংকাৰ

মাথা বিষ জাৰিল'ং আই কালী চ'ণ্ডী মাও।

নামুং নামুং বিষ

আকাশেৰ বিষ পাতালেৰ বিষ নামুং

(মানুহৰ নাম) মাথা বিষ পানী হ'ইয়া প'ৰ

গ'ঙ্গাৰ জ'ল যেৰ'খ'ম[৩০৭]

দ'ক্ষিণে ব'হিয়া[৩০৮] যাও।।

**৮.৩২.২ গাও বন্ধনী মন্ত্ৰ ঃ**

কালীমুনি ম'ন্‌মুই য'ম্‌দু[৩০৯] কাল্‌দু[৩১০]

যাওৱা আসা[৩১১] ক'ৰে

ব'ন পুত্ৰ পেলাইলুং গাও ব'ন[৩১২] কৰিলুং

মুখ্‌দিন মুখ্‌কাল

শিছি গুৰু গুৰু পাও

লাগ বিৰ'গি লাগ

নালাগিলে দুইটা চোক অ'ন্ধ'কাৰ

ন'হ'য় য'দি দেৱ'তাৰ মাথা খাবে।

শ্ৰী ব'ন্ধুং[৩১৩] গুৰু পাও ৰ'ক্ষা ক'ৰো

আই কালী চ'ণ্ডী মাও।

লাগ বিলিকি লাগ

দুইটাই চোক অ'ন্ধ'কাৰ নহয় য'দি

---

৩০৭. যেনেকুৱা
৩০৮. বৈ
৩০৯. যমদূত
৩১০. কালদূত
৩১১. অহা
৩১২. বন্ধ
৩১৩. বন্দো

দেৱ'তাৰ মাথা খাবে।

শ্ৰী ব'ন্ধুং গুৰু পাও ৰ'ক্ষা ক'ৰো

আই কালী চ'ণ্ডীৰ মাও।

### ৮.৩৩ মায়তৰি ৰাভাৰ মাজত প্ৰচলিত মন্ত্ৰ ঃ

### ৮.৩৩.১ গাও বন্ধনী মন্ত্ৰ ঃ

চান্দ' কাছ'ং সূৰ্য কাছ'ং

কাছ'ং কাছ'ং দুই ভাই

আমি দিলাম এলাচো-পেলাচো;

আমাৰ কাছ'ন থাকিতে

চেলেৰ প'ত্ৰ' থাকিব।

ডাইনীও বান্ধ'ং ভুতুনীও বান্ধ'ং

মাছ্বেৰ বান্ধ সাপেৰ বান্ধ

ৰামেৰ হুংকাৰ

শ্ৰী বন্ধ'ং গুৰুৰ পাও

দোহাই ঈশ্ব'ৰ দুৰ্গা মাও

দোহাই ঈশ্ব'ৰ পাৰ্বতীৰ মাথা খায়।

### ৮.৩৩.২ ৰক্তপাত বন্ধ কৰা মন্ত্ৰ ঃ

দাওৱেৰ[৩১৪] ঘাও[৩১৫] কুঠাৰেৰ ঘাও

হে ৰাণ্ডী মাও

যে দাইনে[৩১৬] আহিছে

হে দাইনে যাও

৩১৪. দাৰ
৩১৫. ঘাপ
৩১৬. ডাইনী

দোহাই ঈশ্ব'ৰ চ'ণ্ডী মাও

দোহাই ঈশ্ব'ৰ ম'হাদেৱ'ৰ মাথা খায়।

**৮.৩৩.৩ চকু জৰা মন্ত্ৰ ঃ**

ছুগুনা-ছুগুনী কালা চুকু

ভোগ্চ'ৰ'ণ উচ্ছ'ল ধাই

দোহাই ঈশ্ব'ৰ ম'হাদেৱ'ৰ মাথা খায়।

**৮.৩৩.৪ জুয়ে পোৰা ভাল কৰা মন্ত্ৰ ঃ**

অ'গ্নি ৰাজা অ'গ্নি ভাজা

অ'গ্নিৰ সাথে হাগা-মুতা,

অ'গ্নি পানী হৈয়া যা

দোহাই ঈশ্ব্ৰ ম'হাদেৱ'ৰ মাথা খায়।

৮.৩৪ পাতি ৰাভাৰ মাজত প্ৰচলিত মন্ত্ৰ ঃ

**৮.৩৪.১ বীৰা খেদা মন্ত্ৰ** [৩১৭] **ঃ**

ওই ডাল'ৰে বীৰা, না পাত'ৰে বীৰা ?

আকাশ'ৰে বীৰা, না পাতাল'ৰে বীৰা ?

হা বীৰা, হা বীৰা হা—

ওই বীৰা ম'ন চাইতে কায়ও নাবাঢ়ে

হা বীৰা, হা বীৰা হা—

ছেওৰা গাছ'ৰ পাতে জ'ন'ম পায়য়া,

ছেওৰা গাছ'ৰ পাত'তে ক'ৰ'ম পায়য়া

বীৰানী হাম্বা—ও বীৰানী হাম্বা,

বীৰানী হাম্বা—ও বীৰানী হাম্বা।

৩১৭. উৎস ঃ ৰাভা, ৰাজেন ঃ প্ৰাগুক্ত গ্ৰন্থ, ২০০১ , পৃ. ১৮

## ৮.৪০. ফকৰা-যোজনা-পটন্তৰ[318] ঃ

(১) আছে গুৰু ন'বুৰায়[319] হাল
থাকাত্‌কৈ নাথাকাই ভাল।

(২) আজি আছে কালি নাই
ভাঙা টোকোৰাত পানী নাই।

(৩) আপ্‌নাই[320] দাপ্‌না[321] খায়
আপ্‌নাই কাম্‌ৰায়।

(৪) আম'ৰ ঠানিত[322] ভ'ৰ'সা নাই
তেতে্‌লিৰ ঠানিৰ ভ'য় নাই।

(৫) আষাৰ শাওন মাস'ৰ গাছা[323]
যুৱান কাল'ৰ বাচ্ছা;
ভাদ'ৰ মাস'ৰ গাছা
বুঢ়া কাল'ৰ বাচ্ছা।

(৬) আল'ক[324] নাপায় ঝাল'ক[325] পায়
কুবায় মাৰায় তিৰী পায়।

---

৩১৮. উৎস ঃ ৰাভা হাকাচাম, উপেন ঃ ৰাভামিজ -ভাষা আৰু নিদৰ্শন, ২০০৫, পৃ. ১৬১-১৬৫
৩১৯. নাবায়
৩২০. আপোন
৩২১. বাহু
৩২২. ডাল
৩২৩. ধানৰ গোছা
৩২৪. এজনক
৩২৫. আনজনক

(৭) ওডা ধানৰ ব'ডা মিঠা
ধেম্‌না তিৰিৰ পাদা মিঠা।

(৮) এক তিৰীয়া হাঁহি-মাতি
দুই তিৰীয়া ফাকি
তিন তিৰীয়া লুকুৰ ধুকুৰ
চাৰি তিৰীয়া কাথিৰ[৩২৬] কুকুৰ
পাচ তিৰীয়া খুজিয়া নাপায় ভাত
ছয় তিৰীয়া মাথাত হাত
সাত তিৰীয়া ব'ন'ত বাস।

(৯) এক বাৰাই[৩২৭] ধান খায়
এক বাৰাই হান খায়।

(১০) এটা গুৰু যাৰ
সাং[৩২৮] পাথাৰে[৩২৯] তাৰ।

(১১) কৰিবা নোৱাৰ[৩৩০] ব'ৰ কাথা
খাবা নোৱাৰ ব'ৰ হাথা[৩৩১]।

---

৩২৬. পিৰালি
৩২৭. সকলো
৩২৯. পথাৰে
৩৩০. নোৱাৰাৰ
৩৩১. হেতা

(১২) ক'য় মানে কাথা,
টানে মানে সূতা।
কাম নাই কাট'ন;
ব'ংশী ধৰিয়া নাচ'ন।

(১৩) কানা খোৰা লেংৰা
চ'য়তানৰ ওৰা।

(১৪) কামাৰ'ৰ ঘ'ৰ'ত ভাঙা দাও
মিস্ত্রীৰ ঘ'ৰ'ত ভাঙা নাও।

(১৫) খাৰ খাৱা জিবা[৩৩২]
ওলায় কিবা কিবা।

(১৬) গ'ৰীব'ৰ ঘ'ৰ'ত যাবি খাবা
ধ'নীৰ ঘ'ৰ'ত যাবি চাবা।

(১৭) গুৰু আল্‌ছিয়া[৩৩৩] পানী খায়,
মানু[৩৩৪] আল্‌ছিয়া বেলা[৩৩৫] চায়।

(১৮) ঘ'ৰ নষ্ট ক'ৰে বুৰী
পেট নষ্ট ক'ৰে মুঁৰি

৩৩২. জিভা
৩৩৩. এলেহুৱা
৩৩৪. মানুহ
৩৩৫. বেলি

(১৯) চেঙেৰা-চেঙেৰী পাতে কাথা,
কাথায় কাথায় ওলায় হাসা[৩৩৬]।
বুৰা-বুৰী পাতে কাথা
গুগু[৩৩৭] হেনা[৩৩৮] ল'ৰে মাথা।

(২০) জ'য় দিন'ত খয়[৩৩৯] নাই
ম'ৰ'ণ কাল'ত উযুদ[৩৪০] নাই।

(২১) তিৰী পালে গিৰী হয়
ছাৱা[৩৪১] পালে দেও হয়।

(২২) ধাৰুৱাই ধাৰ পায়
তিৰী মাৰাই তিৰী পায়।

(২৩) নাক চিপ চিপ খোপাডাংৰী[৩৪২]
দেখিবা ভাল কামে ঘাছুৰী[৩৪৩]।

(২৪) নিজ'ৰ হ'লে কাচু[৩৪৪] গ'লা[৩৪৫]
প'ৰ'ৰ হ'লে ময়ৰা গ'লা।

---

৩৩৬. হাঁহি
৩৩৭. কপৌ
৩৩৮. দৰে
৩৩৯. ক্ষয়
৩৪০. ঔষধ
৩৪১. সন্তান
৩৪২. ধুনপেচ মাৰি ফুৰা তিৰোতা
৩৪৩. অকাজী
৩৪৪. কাছ
৩৪৫. ডিঙি

(২৫) নুনে[৩৪৬] ৰজা তেলে পাত্ৰ,

হাল্‌ধি কেৱল ৰঙে মাত্ৰ।

(২৬) পালুং[৩৪৭] পখী উখ্‌ৰাও[৩৪৮] পাখি

হোৰা ভাতক নাথাকিবি ৰখি[৩৪৯] ।

(২৭) যাক নালাগে কাজ'ত

তাক থ'বা বাৰীৰ মাজ'ত।

(২৮) যাৰ ঘ'ৰ'ত আছে চিঙিৰী বিঁটী,

ঘ'ন ঘ'ন্‌কৈ আহে চেঙেৰা গুষ্টি[৩৫০]।

(২৯) স'ব পখীয়ে মাছ খায়

মাছ্‌লেঙ্কাই[৩৫১] নাম পায়।

(৩০) হাপাই আনিল তিৰী

শিয়ালে হ'ল গিৰী।

---

৩৪৬. নিমখ

৩৪৭. পালোঁ

৩৪৮. এৰুৱাও

৩৪৯. বাদ চাই

৩৫০. আলহী

৩৫১. মাছৰোকা

## ৮.৫০. সাঁথৰ[৩৫২] ঃ

(১) আমাৰ বুৰী
দিনে কুটি সিথিৰে[৩৫৩]।
উত্তৰ ঃ বাৰ্নী (বাঢ়নী)।

(২) আল আল আল
মাকাৰা[৩৫৪] জাল
ছাৰাংকাতি[৩৫৫] আলি বান্ধিছে
দেখিবাৰ ভাল।
উত্তৰ ঃ ঝাতি জাল (পৰঙি জাল)।

(৩) আলি আলি যায়
গ'লা দাঙি চায়।
উত্তৰ ঃ বিজী (বেজী)।

(৪) ইৰিং পাখা বিৰিং পাখা;
ছয় ঠেঙীয়া লিটু[৩৫৬] নাইকা[৩৫৭]।
উত্তৰ ঃ মাছি (মাখি)।

---

৩৫২. উৎস ঃ ৰাভা হাকাচাম, উপেন ঃ ৰাভামিজ -ভাষা আৰু নিদৰ্শন, ২০০৫, পৃ-২৬৮-১৭১
৩৫৩. চোঁচৰে
৩৫৪. মকৰা
৩৫৫. চাৰিওফালে
৩৫৬. নেজ
৩৫৭. নাইকীয়া

(৫) একজন বুৰী মানু

দিনে চকুপানী মুচে।

উত্তৰ ঃ নিহাৰি পৰা (নিয়ৰ সৰা)।

(৬) এক্‌টাখানি ঘ'ৰ

শিলে গ'ৰ গ'ৰ।

উত্তৰ ঃ দুপাৰি দাঁত।

(৭) এক বস্তা চুপাৰি

গুনিবা নাপায় বেপাৰী।

উত্তৰ ঃ তাৰা (তৰা)।

(৮) এক ভাই খাল'ত

এক ভাই ডাল'ত

এক ভাই টিঙ টিঙা আগাল'ত[৩৫৮]।

উত্তৰ ঃ চূণ, পান আৰু তামোল।

(৯) একেডাল মাৰ্লি দুখান চাল;

নাবান্ধা ক'ৰি আছুং সৰ্বতিকাল।

উত্তৰ ঃ কলপাত।

(১০) এং এং এং খাল'ত পৰিল বেং

ঐ বেংটা ধৰিব পাৰ্লে হাজাৰ টাকা দেং।

উত্তৰ ঃ ছায়া (ছাঁ)

৩৫৮. ওপৰত

(১১) ক'ং ক'ং কুঁকিলা

যায় মানে দিঘিলা[৩৫৯]।

উত্তৰ ঃ ৰাস্তা।

(১২) কুটিত ঠেক'ন[৩৬০] মাথাত বোজা

ক'ত যাৱা তুই ৰাঙা ওঝা[৩৬১]।

উত্তৰ ঃ আনাৰস।

(১৩) চেলেঙা চেলেঙা[৩৬২] পাত

ৰাজা নাখায় ভাত;

যায় ক'বা নাপায়

গাধাৰ জাত।

উত্তৰ ঃ কলপাত।

(১৪) ছোট ছোট দ'ব'লা[৩৬৩]

ঘন ঘন আলি;

কি ফুল ফুলিছে

ৰ'ত'ন মালি?

উত্তৰ ঃ তাৰা (তৰা)।

(১৫) ত'লে জাপ উপাৰে জাপ

মাজেদি যায় গোম্‌সাপ।

উত্তৰ ঃ মাকু (মাকো)।

৩৫৯. দীঘল
৩৬০. ঢোকা
৩৬১. ওজা
৩৬২. দীঘল
৩৬৩. ডৰা

(১৬) তিন কুনীয়া মাজ'ত খাল,

ঘাৰ'ত[৩৬৪] ধৰিবা ভাল।

হৰ হৰ্‌কে নিং টানি;

ছেৰ ছেৰ ওলাই পানী।

সুম্‌ছেনে[৩৬৫] নাই খুকুৰাই[৩৬৬] চায়;

পাতানি[৩৬৭] আছুল[৩৬৮] জিকি[৩৬৯] যায়।

উত্তৰ ঃ জাখা (জাকৈ)।

(১৭) দাউৰি[৩৭০] গিলুং[৩৭১] দাউৰি গিলুং

পুঠি মাছ্‌টা পেলাই গিলুং।

উত্তৰ ঃ ছেপ (থু)

(১৮) মিচিক মাচাক হাঁহে

ভাত খাবাকো নাহে।

উত্তৰ ঃ চাতি (চাকি)।

(১৮) ৰাজা ঘ'ৰ'ৰ বাৰা[৩৭২]

ৰাইজে খাবা নোৰা।

উত্তৰ ঃ শিল।

---

৩৬৪. ডিঙিত
৩৬৫. সুমাইছেনে
৩৬৬. জুমি
৩৬৭. মেখেলা
৩৬৮. আঁচল
৩৬৯. তিতি
৩৭০. দৌৰি
৩৭১. গ'লোঁ
৩৭২. গাহৰি

(১৯) ৰাজা ঘ'ৰ'ৰ বাৰীত গিলুং

ঘূৰিতে ঘূৰিতে লাংটা[৩৭৩] হুলুং[৩৭৪]।

উত্তৰ -পঘে (উঘা)

(২০) ৰাজাৰ বাৰীত সুমালুং[৩৭৫]

ঘূৰিতে পাকিতে ওলাবা নুৰিলুং[৩৭৬]।

উত্তৰ ঃ চেপা।

(২১) ৰাজাৰ চূণ টিমি[৩৭৭]

কায় খুলিবা পায়?

উত্তৰ ঃ কণী।

(২২) ৰাজাৰ ঢুল[৩৭৮]

কায় বাজাবা পায়?

উত্তৰ ঃ মুউ বাহা (মৌ বাহ)।

(২৩) ৰাজাৰ বিটী গাউধে[৩৭৯]

গাওৰেই নিঝিকে।[৩৮০]

উত্তৰ ঃ চকুপানী।

---

৩৭৩. নাঙঠ
৩৭৪. হ'লোঁ
৩৭৫. সোমালোঁ
৩৭৬. নোৱাৰিলোঁ
৩৭৭. টেমা
৩৭৮. ঢোল
৩৭৯. গা ধুৱে
৩৮০. নিতিতে

(২৪) ৰাজাৰ বিটী ধুন্দুলি পেটী,

ওৰাই দিনে খুন্দে মাটি।

উত্তৰ ঃ বাৰা (গাহৰি )।

(২৫) ৰান্দ'নী[৩৮১] বাই ৰান্দ'নী বাই

কি শাক'ৰ গুটি নাই?

উত্তৰ ঃ কাঠফুলা।

(২৬) শিং কুকুৰ'ঙি বাই

ঘাটে ঘাটে পানী খায়।

উত্তৰ ঃ বৰশী।

(২৬) সাপ যায় স'ৰ স'ৰ

বেং যায় তুপ্লুক।

উত্তৰ ঃ বাল্টি আৰু জৰী।

(২৮)সুৰুতে গাম্‌ছা

ডাঙাৰ হ'লে লাংথা।

উত্তৰ ঃ বাঁহ গছ।

৩৮১. ৰান্ধনী